# শীতকালীন অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ২৮/১১/২০১৯ বৃহস্পতিবাৰ

---

**(আজি ইংৰাজী ২৮-১১-২০১৯ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিৰ্দ্ধাৰিত সময় সূচী মতে শীতকালীন অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়)।**

**মাননীয় অধ্যক্ষ** ঃ মই অতি সুখী যে আজি আমাৰ নবনিৰ্বাচিত বিধান সভাৰ চাৰিজন সদস্যৰ শপত গ্ৰহণ অনুষ্ঠান প্ৰথমে আৰম্ভ কৰি আমাৰ কাৰ্য্যসূচীলৈ যাম। সেই কাৰণে মই প্ৰধান সচিবক এজন এজন কৈ তেখেত সকলক নিমন্ত্ৰন কৰিবলৈ কৈছো আৰু তেওঁলোকে শপত ল'ব।

**প্ৰধান সচিব** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে এতিয়া ১নং ৰাতাবাৰী এচ.ছি বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয় সদস্য শ্ৰীবিজয় মালাকাৰ ডাঙৰীয়াক শপত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(মাননীয় অধ্যক্ষ মহোদয়ে ১নং ৰাতাবাৰী এচ.ছি বিধান সভা সমষ্টিৰ পৰা নৱনিৰ্বাচিত হৈ অহা মাননীয় সদস্য শ্ৰীবিজয় মালাকাৰক শপত বাক্য পাঠ কৰোৱায়)।

**শ্ৰীবিজয় মালাকাৰ** ঃ আমি শ্ৰীবিজয় মালাকাৰ আসাম বিধান সভার সদস্য নিৰ্বাচিত হইয়া, ঈশ্বরের নামে শপথ করিতেছি যে, আমি বিধিদ্বারা প্রতিষ্ঠিত ভারতের সংবিধানের প্রতি প্রকৃত বিশ্বাস ও আনুগত্য পোষণ করিব, আমি ভারতের সার্বভৌমত্ব ও সংহতি রক্ষা করিয়া চলিব এবং যে কর্তব্যভার আমি গ্রহণ করিতে চলিয়াছি তাহা বিশ্বস্তভাৱে নির্বাহ করিব।

**প্ৰধান সচিব** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইবাৰ ১০৬ নং সোণাৰি বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয়া সদস্যা শ্ৰী মতী নৱনীতা সন্দিকৈ ডাঙৰীয়ানিক শপত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(মাননীয় অধ্যক্ষ মহোদয়ে ১০৬ নং সোণাৰি বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয়া সদস্যা শ্ৰী মতী নৱনীতা সন্দিকৈক শপত বাক্য পাঠ কৰোৱায়)।

**Smti Nabanita Handique:** "I Smti Nabanita Handique having been elected a member of the Assam Legislative Assembly do swear in the name of God that I will bear true faith and allegiance to the Constitution of India as by law established, that I will uphold the sovereignty and integrity of India and that I will faithfully dischrge the duty upon which I am about to enter".

**প্ৰধান সচিব** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইবাৰ ৪৪ নং জনীয়া বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম ডাঙৰীয়াক শপত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(মাননীয় অধ্যক্ষ মহোদয়ে ৪৪ নং জনীয়া বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলামক শপত বাক্য পাঠ কৰোৱায়)।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মই শ্ৰী ৰফিকুল ইছলাম, অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হোৱাত, আল্লাৰ নামত শপত খাই কওঁ যে, বিধিৰ দ্বাৰা স্থাপনা কৰা ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰি, মই ভাৰতৰ প্ৰভূত্ব আৰু অখণ্ডতা অক্ষুন্ন ৰাখিম আৰু মই গ্ৰহণ কৰিব ধৰা কৰ্তব্য শ্ৰদ্ধা পূৰ্বক নিৰ্বহন কৰিম।

**প্ৰধান সচিব** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইবাৰ ৭৪নং ৰঙাপাৰা বিধান সভা সমষ্টিৰ পৰা নৱনিৰ্বাচিত হৈ অহা মাননীয় বিধায়ক শ্ৰীৰাজেন বৰঠাকুৰ ডাঙৰীয়াক শপত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(মাননীয় অধ্যক্ষ মহোদয়ে ৭৪নং ৰাঙাপাৰা বিধান সভা সমষ্টিৰ পৰা নবনিৰ্বাচিত হৈ অহা মাননীয় সদস্য শ্ৰীৰাজেন বৰঠাকুৰক শপত বাক্য পাঠ কৰোৱায়)।

**শ্ৰীৰাজেন বৰঠাকুৰ** ঃ মই শ্ৰীৰাজেন বৰঠাকুৰ , অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হোৱাত, ঈশ্বৰৰ নামত শপত খাই কওঁ যে, বিধিৰ দ্বাৰা স্থাপনা কৰা ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰি, মই ভাৰতৰ প্ৰভূত্ব আৰু অখণ্ডতা অক্ষুন্ন ৰাখিম আৰু মই গ্ৰহণ কৰিব ধৰা কৰ্ত্তব্য শ্ৰদ্ধা পূৰ্বক নিৰ্বহন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ আমি গোটেই কেইজন বিধায়কলৈ সকলোৰে হৈ শুভেচ্ছা জ্ঞাপন কৰিছো আৰু আশা কৰিছো আহিবলগা দিন সমূহত তেখেত সকলে আমাক Rich contribution আমাৰ অসম বিধান সভাক দিব আৰু মোৰ অনুৰোধ Rules of Procedure and Conduct of Business in Assam Legislative Assembly খন তেখেত সকলে অধ্যয়ন কৰিব লাগে আৰু সেই মতে কামবিলাক কৰিব লাগে। আমাৰ ৰাজেন বৰঠাকুৰ তেখেত ২য়বাৰ আহিছে, তেখেতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় । বাকীখিনিৰ ক্ষেত্ৰত প্ৰযোজ্য। এতিয়া মই প্ৰশ্নকালীন ঘণ্টালৈ যাব বিচাৰিছো। এতিয়া প্ৰশ্ন নং -১ শ্ৰী মৃনাল শইকীয়া।

**শ্ৰী মতী অজন্তা নেওগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা সভাস্থগিত প্ৰস্তাৱ আছিল সেইটো প্ৰথমে allow কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মই যোৱাবাৰো কৈছো যে সভা স্থগিত প্ৰস্তাৱ প্ৰশ্নকালীন ঘণ্টাৰ পাছত লম।

**শ্ৰী মতী অজন্তা নেওগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় আজি আমি আনিব খুজিছো সেইটো প্ৰয়োজনীয় বিষয়।

**মাননীয় অধ্যক্ষ** ঃ মই বুজি পাইছো যিমানেই প্ৰয়োজনীয় নহওঁক আমি ৰুলটো ভংগ কৰিব নোৱাৰো। after Question Hour I will take up the matter. after Question Hour it will be taken up.আগতে কৰিলে মই allow কৰিব নোৱাৰো।

(বিৰোধী দলৰ দলপতি লগতে কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ সদস্য সকলে নিজৰ আসনৰ পৰা উঠি আহি প্লে কাৰ্ড আৰু ফেষ্টুন আদি লৈ মাননীয় অধ্যক্ষ মহোদয়ৰ সন্মুখত এন আৰ চি আৰু কেব আদি সম্পৰ্কত ধ্বনি দিয়ে, আৰু তেতিয়া সদনত হুলস্থুলৰ পৰিবেশ সৃষ্টি হয় । মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ কাম-কাজ চলাই লৈ যায়)।

**মাননীয় অধ্যক্ষ ঃ** This is not done , I cannot allow. I will discuss later on, not now.

প্ৰশ্ন নং ১, শ্ৰীমৃণাল শইকীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন আৰ এল নুমলীগড় ৰিফাইনেৰী লিমিটেড, মোৰ খুমটাই সমষ্টিৰ বাউণ্ডেৰীতে পৰে। মাজতে দেখিবলৈ পালো, বিভিন্ন ব্যক্তি সংগঠনে খুব আন্দোলন কৰিছে যে, এন আৰ এল টো ব্যক্তিগতকৰণ হ'ব। আজি মই যিটো উত্তৰ পালো, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা, মই বহুত সন্তুষ্ট হ'লো যে, নুমলীগড় ৰিফাইনেৰী লিমিটেড কোনো কাৰণতে ব্যক্তিগতকৰণ নহয়। মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। কিছু লোকে নিজে এটা সপোন দেখি এটা আন্দোলন কৰাৰ স্বাৰ্থতে, আন্দোলন কৰে। এটা কল্পনা কৰে যে, আমি এটা আন্দোলন কৰিম। সেই কাৰণে তেওঁলোকে আন্দোলনত লিপ্ত হয়। নুমলীগড় ৰিফাইনেৰী লিমিটেডত দেখা গ'ল কোনো কথায়েই নাছিল যে, এইটো ব্যক্তিগত কৰণ হ'ব। কিন্তু যিসকল লোকে আন্দোলন নকৰিলে থাকিব নোৱাৰে, সেইসকললোকে কেৱল আন্দোলনৰ স্বাৰ্থত নিজে এটা কল্পনা কৰি ললে যে, আমি আন্দোলন কৰিম, সেই কাৰণে তেওঁলোকে আন্দোলন কৰিলে। আজি জল্‌জল্‌পট্‌পট্‌কৈ ওলাই পৰিল এই নুমলীগড় ৰিফাইনেৰী লিমিটেড কোনো কাৰণতে ব্যক্তিগতকৰণ নহয়। সেই কাৰণে অসমত, যিসকলে আন্দোলনৰ স্বাৰ্থত আন্দোলন কৰি থাকে, তেখেতসকলক আমি কোনো কাৰণতে উদগনি দিব নালাগে, তেখেতসকলক আমি comdemn কৰিব লাগে। আন্দোলন কৰি তেওঁলোকে সময় নষ্ট কৰে, আন্দোলন কৰি অসমখন তেওঁলোকে অস্থিৰ কৰিব খোজে। ধন্যবাদ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চৰকাৰ, ধন্যবাদ আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া, তেখেতসকলে স্পষ্ট কৰি দিলে আজি যে নুমলীগড় ৰিফাইনেৰী লিমিটেড কোনো কাৰণেতো ব্যক্তিগতকৰণ নহয় আৰু আন্দোলনকাৰী সকলৰ মুখা খোল খোৱাই দিলে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২, শ্ৰীআব্দুৰ ৰচিদ মণ্ডল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া , উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩, শ্ৰীমামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া , উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন** নং ৪, শ্ৰীউৎপল দত্ত। **প্ৰশ্ন** নং ৫, শ্ৰীঅশোক শৰ্মা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া , উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীঅশোক শৰ্মা (নলবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত দিছে, কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ নলবাৰীৰ কাৰণে যি লিষ্ট দিছে, জাবজাব কুছিৰ এটা ইণ্ডাষ্ট্ৰি আছিল। সেইখিনিৰ প্ৰগ্ৰেচৰ কাৰণে কি কৰিব, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়লৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , জাব জাব কুছিত আমাৰ এখন ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক ইতিমধ্যে আমি পাইছো আৰু অনতি পলমে জাব জাব কুছিত ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক আৰম্ভ হ'ব।

**শ্ৰীঅশোক শৰ্মা (নলবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়লৈ পুনৰবাৰ ধন্যবাদ জনাইছো যে, অসম চৰকাৰ অহাৰ পাছত জাপ জাপ কুছিত যিটো ক্ষুদ্ৰ উদ্যোগ আছিল, তাৰ ঠাইত আকৌ নতুনকৈ দিয়াৰ যি পদক্ষেপ লৈছে তাৰ বাবে ধন্যবাদ জনাইছো। মই মাননীয় মন্ত্ৰী মহোদয়ক

আৰু এটা অনুৰোধ জনাব বিচাৰিছো যে আমাৰ নলবাৰী সমষ্টিত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া বিধৰ উদ্যোগ স্থাপন কৰি যি অকল যুৱক-যুৱতীয়ে ইতিমধ্যে লোনৰ কাৰণে আবেদন কৰিছে, তেওঁলোকক লোনটো সোনকালে দিয়াৰ বাবে যাতে ব্যৱস্থা লয়। সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে আমাক এটা উত্তৰ দিব বুলি আমি আশা কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া , জাবজাবকুছিত আমি এখন ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক কৰিম আৰু যিটো লোনৰ কথা কৈছে সেই লোনৰ কথাটো আমি নেচনেল বেংকৰ লগত ইতিমধ্যে  চাৰি লানি কথা পাতিছো আৰু বাকীখিনি ব্যৱস্থা ইতিমধ্যে লৈ থকা হৈছে।

(সদনত হুলস্থূল)

**শ্ৰীঅশোক শৰ্মা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসকল নিৰনুৱা যুৱক-যুৱতীয়ে লোনৰ কাৰণে আবেদন কৰে, সেইটো বেংকৰ পৰা ঘুৰাই পঠিয়ায়। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই এই কথাটোত অকনমান চকু ৰখাৰ কাৰণে আহ্বান জনাইছো বা বেংকৰ বিষয়াসকলৰ লগত কথা পাতি তেখেতসকলে যাতে এই নিৰনুৱা যুৱক-যুৱতী সকলক বিচৰা ধৰণে লোনটো দিয়ে তাৰ ব্যৱস্থা হাতত লোৱাৰ কাৰণে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**( বিৰোধী পক্ষই সদন ত্যাগ কৰে)**

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰীঅশোক শৰ্মা ডাঙৰীয়াই যিটো কথা কৈছে যে, বেংকৰ পৰা নিৰনুৱা যুৱক-যুৱতী সকলে লোন পোৱা নাই, ইতিমধ্যে আমি Nationalised Bank ৰ লগত কেইবালানিও আলোচনা কৰিছো আৰু কেইবালানিও আলোচনা কৰাৰ অন্তত  তেওঁলোকক আমি লোনখিনি Disbursed কৰাৰ কাৰণে আমি কৈছো আৰু মাননীয় সদস্যসকলক ফৰ্ম দিছিলো এই সম্পৰ্কত আৰু ফৰ্মবিলাক তেওঁলোকে বিভিন্ন হিতাধিকাৰীক দি সেইখিনি ব্যৱস্থা কৰিছিল। কিন্তু অধ্যক্ষ ডাঙৰীয়া, যিবিলাক Nationalised Bank আছে, সেই Nationalised Bank সমূহে যিখিনি লোন Disbursed কৰিব লাগিছিল, এইখিনি তেওঁলোকে এতিয়ালৈকে Disbursed কৰা নাই আৰু মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, সেই প্ৰশ্ন অনুসৰি মই তেখেতক উত্তৰ দিব বিচাৰিছো যে আমি কেইবালানিও Nationalised Bank বিষয়াসকলক মাতি আনি আমি আলোচনা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী  ডাঙৰীয়া আৰু মইও উপস্থিত আছো। CGM State Bank, তেখেতেও মাতিছিল আৰু এই সম্পৰ্কত আমি বেংকৰ লগত ব্যৱস্থা কৰি আছো। এইটো কথা সত্য যে, Nationalised Bank ৰ আজি CD Ratio টো 35% আছে আজিৰ দিনটোত আৰু 35% CD Ratio থকাৰ কাৰণে আজি আমি অসমত লোনটো পোৱা নাই। তাৰ কাৰণ কেইবাটাও আছে। এটা কাৰণ হ'ল যে, ১৯৮৫ চনৰ পৰা যিবিলাক ডি আই চি লোন  যুৱক-যুৱতী সকলক দিয়া হৈছিল, সেই লোনবিলাক ৰি-পেমেণ্ট নহ'ল। গতিকে বেংকৰ আউট ষ্টেণ্ডিং বহু পৰিমাণ আছে। দ্বিতীয় কথাটো হ'ল, এইবাৰ স্বামী বিবেকানন্দৰ, যিটো আমাৰ লোন, এই লোনৰ সম্পৰ্কত আমাৰ কিছুমান এপ্লিকেশ্যন এনেকুৱা আছে যে, হয়তো আগতে কাৰোবাৰ লোন আছিল, তেওঁ লোন ৰি-পে কৰা নাই আৰু লোনটো ৰি-পে নকৰাৰ কাৰণে সেইটো এমটিয়ে হৈ আছে। গতিকে তেনেকুৱা ধৰণৰ বহুত এপ্লিকেশ্যন ৰিজেক্ট হৈছে। আমাৰ কিছুমান এনেকুৱা স্কীম দিছে যে, যিবিলাক স্কীমত যুৱক-যুৱতী সকলে viable নহয়। তৃতীয়তে, এনেকুৱা ধৰণৰ হৈছে যে আমাৰ এই গোটেই

লোনটোৰ গোটেই ব্যৱস্থাটো এনেকুৱা যে এক লাখ টকাৰ ২৫ হাজাৰ টকা হিতাধিকাৰীয়ে দিব, ২০ হাজাৰ টকা অসম চৰকাৰে দিব আৰু তাৰ উপৰিও তাত এটা ক্ৰেডিট গেৰান্টি থাকিব। যদি লোনটো গৃহীত নকৰে তেতিয়াহ'লে দেখা যায় যে ১৫ হাজাৰ টকা বেংকে হয়তো লষ্ট কৰিব পাৰে। আনকি মই যেতিয়া বেংকৰ লগত কথা পাতিছিলো তেতিয়া তেওঁলোকক কৈছিলো যে বৰ বেছি তোমালোকে ১৫ হাজাৰ টকা লষ্ট কৰিলা আৰু ১৫ হাজাৰ টকা লষ্ট কৰিলে সেই ১৫ হাজাৰ টকা আমি দৰকাৰ হ'লে তোমালোকক ঘূৰাই দিম। তোমালোকে কেৱল লোনখিনি ডিচবাৰ্ছ কৰি দিয়া। কিন্তু তেওঁলোকে এতিয়ালৈকে লোনখিনি ডিচবাৰ্ছ কৰা নাই। ষ্টেট বেংকক আমি ন'ডেল অফিচাৰ হিচাপে দিছো আৰু আমাৰ পইচা তেওঁলোকৰ তাত জমাও দিছো। গতিকে পইচা তেওঁলোকৰ হাতত আছে। আটাইতকৈ বেছি আমি গ্ৰামীন বিকাশ বেংকক দিছো যিহেতুকে গ্ৰামীন বিকাশ বেংকৰ নেটৱৰ্ক ইন্টিৰিয়ৰ ঠাইবিলাকত আছে, গতিকে আমি গ্ৰামীন বিকাশ বেংকক আটাইতকৈ বেছি টাৰ্গেট দিছো। ষ্টেট বেংকক টাৰ্গেট দিয়া আছে।আমাৰ চি, ভি,ভি ৰেচিওটো মাত্ৰ ৩৫ শতাংশ আছে। গতিকে বেংকক আমি ইমান পৰ্য্যন্ত কৈছো যে তোমালোকে যিহেতুকে ইয়াত বেংক খুলিছা বোম্বেৰ পৰা পইচা আনিটো খোলা নাই, অসম চৰকাৰে পইচা ৰাখিছো, আমাৰ ৰাইজেপইচা ৰাখিছে আৰু তাৰ পৰা তোমালোকে ১০০ টকা লাভ ৰাখি পেলাই ৩৫ টকা খৰচ কৰা। যিহেতুকে তোমালোকে মহাৰাষ্ট্ৰত ১০০ টকা ইনকাম কৰি আঢ়ৈশ টকা খৰচ কৰা। ঠিক তেনেদৰে অন্যান্য ৰাজ্যবিলাকত যেনে হাৰিয়ানাত ১০০ টকা ইনকাম কৰি ৩০০ টকা খৰচ কৰিছে। এনেকুৱা বিভিন্ন ধৰণৰ কথা তেওঁলোকৰ লগত পতা হৈছে। সেইকাৰণে অধ্যক্ষ ডাঙৰীয়া, এই লোনটো ডিচবাৰ্ছ কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা হৈছে। কিন্তু আমি এইটো চেষ্টা চলাই আছো আৰু সদস্য গৰাকীয়ে কোৱাৰ দৰে আমি বেংকৰ লগত কথা পাতি আছো আৰু এই গোটেই বিষয়টো আমি সম্পূৰ্ণৰূপে ভিজিলেঞ্চত ৰাখিছো আৰু এই বিধান সভাৰ পিছতে নেচনেলাইজড বেংকৰ লগত আৰু এখন মিটিং দিছো । অধ্যক্ষ ডাঙৰীয়া , ৰিজাৰ্ভ বেংকে এপ্ৰোভ কৰা আমাৰ স্থানীয় বেংক এটা আছে, তেওঁলোকে কৈছে আমাক ডিপ'জিট লাগে। মই খুব ভাল পালো যে তেওঁলোকে এম,এছ,এম,ই চেক্টৰত লোন দি আছে। তেওঁলোকক সুধিছো যে আপোনালোকৰ চি, ভি,ভি ৰেচিওটো কিমান? তেওঁলোকে কৈছে যে এইটো অসমৰ স্থানীয় বেংক এপ্ৰোভড বাই ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া ৰিক'গনাইজ। তেওঁলোকে কৈছে যে আমাৰ চি, ভি,ভি ৰেচিওটো ১৬২ পাৰচেন্ট।। এইটো ধেমালী কথা নহয়। তাৰ পিছত মই তেওঁলোকক সুধিলো যে আপোনালোকৰ ৰিক'ভাৰী ৰেট কিমান? তেওঁলোকে কলে যে তেওঁলোকৰ ৰিক'ভাৰী ৰেটটো ৯৮.৯পাৰচেন্ট। এইবিলাক এম,এছ,এম,ই চেক্টৰৰ। এনেকুৱা বেংক অসমটো আছে। কিন্তু সেইবিলাক বেংকক চৰকাৰে ইমান পইচা দিব পৰা নাই । গতিকে এনেকুৱা বেংকবিলাকক আমি যাতে সহায় কৰিব পাৰো তাৰ চিন্তা -চৰ্চা কৰি থকা হৈছে । এইক্ষেত্ৰত উদ্যোগ বিভাগৰ বিষয়া সকলৰ লগটো আলোচনা কৰিছো আৰু এই বিভাগটোৰে আয়ুক্ত দ্বিবেদী ডাঙৰীয়াকো অৱগত কৰাইছো। আমি ভাৱিছো এই বেংকটোকো আমি যদি কিছু পইচা দিওঁ তেতিয়াহ'লে আমাৰ এই ১লাখ টকাৰ লোনটো এম,এছ,এম,ই চেক্টৰত পাবলৈ সক্ষম হ'ব। অধ্যক্ষ ডাঙৰীয়া, এইটো ঠিক যে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টা ইয়াত চলাইছে। আনকি চিফ মিনিষ্টাৰচ্ লেভেলত চি,জি,এম, এছ,আই,ডিৰ লগতো আলোচনা কৰা হৈছে । মই নিজেই তাত উপস্থিত আছিলো। গতিকে এইবিলাক কথা এতিয়া আমি আগবঢ়াই নিয়াৰ চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ভাল কাম কৰা বেংকটোৰ নামটো জনাত আমাৰ কিবা অসুবিধা হ'ব নেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী **(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ প্ৰকৃত নামটো কব নোৱাৰিম,

সেইকাৰণে কোৱা নাই। বোধহয় নৰ্থ ইষ্টাৰ্ণ স্মল ফাইনেন্স বেংক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপুনি কওঁক, এইটো আপোনাৰ লাষ্ট চাপ্লিমেন্টৰি প্ৰশ্ন ।

**শ্ৰীঅশোক শৰ্মা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জাৰজাৰকুছিত ইতিমধ্যে যোৱা চেপ্তেম্বৰ মাহত ২কোটি ৯৭ লাখ টকা চেংচন দিয়া বুলি মাননীয় মন্ত্ৰী মহোদয়ে আমাক জনাইছে। আমি বিচাৰিছিলো সেই টকা খিনিৰে তাত এটা বৃহৎ উদ্যোগ গঢ়ি তোলক বা চৰকাৰে দুই-তিনিটা উদ্যোগ স্থাপন কৰক। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ লগত আমি কথাও পাতিছিলো । এতিয়া কি ব্যৱস্থা হাতত লৈছে মাননীয় মন্ত্ৰী মহোদয়ে সদনক জনালে মই কৃতাৰ্থ হম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অকল জাৰজাৰকুছিয়েই নহয়,টিহুকে ধৰি প্ৰায় ৮খনমান ঠাই চিনাক্ত কৰি ইন্দাষ্ট্ৰিয়েল পাৰ্ক নিৰ্মাণ কৰাৰ বাবে অনুমোদন জনোৱা হৈছে। গতিকে মাননীয় সদস্যগৰাকীয়ে শুনি সুখ পাব যে ২ কোটি ৯৭ লাখ টকা চেংচন দিয়া বুলি যিটো কথা কৈছে সেইটো টকাত কোনো উদ্যোগ নহয়। গতিকে তাত এখন ইন্দাষ্ট্ৰিয়েল পাৰ্ক নিৰ্মাণ কৰা হ'ব।এই পাৰ্কখন হ'লে তেতিয়া তাত অট'মেটিক বহুত ইন্দাষ্ট্ৰি যাব। আমি অনতিপলমে তাত পাৰ্কখনৰ কাম আৰম্ভ কৰিম। ইয়াৰোপৰি টিহু,নাথকুছি,কাছাৰ আদিটো কৰা হ'ব। ইতিমধ্যে এম,এছ,এম,ইৰ পৰা আমি ৮খন পাৰ্ক নিৰ্মাণৰ বাবে এই সুবিধা পাইছো । গতিকে পাৰ্ক নিৰ্মাণৰ ক্ষেত্ৰত কোনো অসুবিধা নহয়। গতিকে তেখেতৰ কাৰণে এইটো ভাল খৱৰ যে তাত এটা উদ্যোগ নহয়, বহুতকেইটা উদ্যোগ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমল সিং নাৰ্জাৰী ।

**শ্ৰীকমল সিং নাৰ্জাৰী (বিজনী)ঃ** অধ্যক্ষ মহোদয়, আমাৰ যুৱক সকলৰ কাৰণে লোন দিয়াৰ কথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চলিছিল। স্বামী বিৱেকানন্দক যেন আমি অপমান কৰাৰ নিচিনাই হৈ গৈছে। কথাটো হ'ল, মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে। কিন্তু এই স্বামী বিৱেকানন্দৰ নামত আমি যিটো লোনৰ ব্যৱস্থা কৰি দিছো আজিলৈকে এটা টকাও আমি দিব নোৱাৰিলো।এনেকৈ কোৱা হয় যে আগৰ চৰকাৰৰ দিনত যিবিলাক লায়েবিলিটিজ আছে সেইবিলাকৰ আজিৰ দিনৰ চৰকাৰে দায়িত্ব লোৱা নাই। কথাটো সঁচানে মিছা মই নাজানো। চৰকাৰ আহি থাকিব, নিয়ম-নীতি সলনি হৈ থাকিব আৰু আমি লোন দি থাকিম, ফলত বেংকবিলাক লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ব, এনেদৰে কোৱা হৈছে। এতিয়া কথাটো হৈছে যি সকল যুৱকক ফৰ্মবোৰ দিয়া হৈছিলে সেই যুৱকসকলৰ আগৰ লোন নাছিল। লোন দি আছো। আমি কৈছো যে আগৰ লোন যিসকলে মাৰা নাই, তেওঁলোকক আৰু নতুনকৈ লোন প্ৰদান কৰা নহ'ব। সেইবাবে আমি নতুন সকলক দিছিলো। মোৰ ঘৰৰ ওচৰত মূৰ্তি বনোৱা এটা ফেমিলি আছে। সেই ফেমিলিটোৱে আসাম গ্ৰামীন বিকাশ যিটো বেংক আছে তাত লোনৰ কাৰণে আবেদন কৰিছিল। তেওঁলোকৰ আগৰ লোন আছিল আৰু সেইটো মাৰি দিয়া হৈছিল।কিন্তু তাৰ পিছতো তেওঁলোকক লোন দিবলৈ অনিচ্ছুক। এতিয়া তেওঁলোকৰ মনত সন্দেহ হৈছে যে লোনটো নাপাম নেকি ? এই যিটো তেওঁলোকৰ মনত সন্দেহ, এই সন্দেহটো আমি কেনেকৈ দূৰ কৰিম! এই কথাটো মন্ত্ৰী ডাঙৰীয়াই স্পষ্টকৈ যদি জনায় দিয়ে যে আগৰ চৰকাৰৰ কিমান লায়েবিলিটিজ আছে আৰু সেইবোৰ কি কাৰণত দিয়া নহ'ল । তেওঁলোকে এক দোধোৰ-মোধোৰ অৱস্থাত আছে।এইটো কেনেকৈ সমাধা কৰিবপৰা যায় কলে ভাল হয় আৰু লিডবেংক মেনেজাৰ সকলক লৈ আমি যি মিটিং কৰিছো, লিডবেংক মেনেজাৰ সকলে দায়িত্ব লৈছে। তেওঁলোকে দায়িত্ব লোৱাৰ পিছত বাকী যিবিলাক বেংক আছে ,আমাৰ বিজনীত চেন্ট্ৰেল বেংক, ইউকো বেংক, ষ্টেট বেংক, আসাম গ্ৰামীণ বিকাশ বেংক , নৰ্থ ইষ্ট স্মল ফাইনেনচিয়েল বেংক আছে, এই বেংকবিলাক

থকা স্বত্বেও তেওঁলোকে এই দায়িত্ব লব বিচৰা নাই। আমাৰ যুৱক সকলক স্কীল ডেভল’পমেন্টৰ ওপৰত ট্ৰেইনিঙো দিয়া হৈছে। ট্ৰেইনিং লোৱাৰ পিছতো তেওঁলোকক আমি কাম দিব পৰা নাই। যাৰ ফলত তেওঁলোকে এনেয়ে বহি থাকিবলগীয়া হৈছে। গতিকে তেওঁলোকক কেনেকৈ উদ্‌গনি দিবপৰা যায় মন্ত্ৰী মহোদয়ে জনাব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলো বেংকৰে এটা নিয়ম আছে। আমাৰ স্থানীয় বেংকে হওঁক বা নেচনেলাইজড বেংকে হওঁক। যদি কাৰোবাৰ লোণ আগতে আছে, তেখেতসকলৰ যদি সেই লোণটো re-payment হোৱা নাই, তেতিয়াহলে কোনো বেংকে তেখেতসকলক লোণ নেদিয়ে, সেইটো বেংকৰ ৰুল। গতিকে সেই ক্ষেত্ৰত কথা হৈছে যে যিবিলাক আগতে DIC লোণ আছিলে, সেই লোণ বিলাক লৈ কোনেও পইচা ঘুৰাই নিদিলে। বেংকৰ এটা huge liability আছে। আপুনি কোৱা কথাটোত মই লিড বেংকৰ লগত যেতিয়া মিটিং কৰিছিলো। মই ইমান পৰ্য্যান্ত কৈছো যে তোমালোকৰ আগতে PMGSY যিখিনি outstanding আছে আমাক জনাই দিয়া। জনাই দিলে আমি মাননীয় মুখ্যমন্ত্ৰীৰ লগত কথা পাতি one time settlement কৰি তোমালোকৰ outstanding খিনি লাগে আমি clear কৰি দিম। কিন্তু এতিয়া লোণখিনি আমাৰ লৰা বিলাকক দিব লাগে। এইখিনি কথা লিড বেংকক কৈছো আৰু তেওঁলোকও আমাক কিমান খিনি অসমত re-payment নোহোৱা লোন আছে, গোটেই হিচাপ কৰি আমাক জনাব। এই কথাখিনি আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগত কথা পাতিছো, বিত্ত মন্ত্ৰীৰ লগতো কথা পাতিছো। বিত্ত মন্ত্ৰীয়ে কৈছে figure তো আনক, কিমান আছে বিত্ত বিভাগে consider কৰিম। গতিকে এই যিবিলাক কথা আছে ইতিমধ্যে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। তাৰ উপৰিও যিখিনি মানুহৰ আগতে লোণ নাই, সেইখিনিয়ে পাব। মই এই বিধানসভাৰ পিছতে পুনৰ এটা review Nationalise Bank ৰ লগত লম, গ্ৰামীণ বিকাশ বেংকৰ লগতো লম। গ্ৰামীণ বিকাশ বেংকৰ আৰু ষ্টেট বেংকৰ performance বহুত বেয়া হৈ আছে। গতিকে এই ক্ষেত্ৰত আমি DC সকলকো entrust কৰি দিছো, যাতে DC সকলে GM, DICC আৰু আমাৰ স্থানীয় বিধায়ক সকলৰ লগত যোগাযোগ কৰি, স্থানীয় বেংকসমূহৰ লগত তেওঁলোকে যাতে এই ব্যৱস্থাটো লব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মই তিনিটা supplementary আৰু দিম, কাৰণ আজি অলপ সময় আছে। এতিয়া মাননীয় সদস্য সঞ্জয় কিষাণ।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, একে কথাই মোৰ সমষ্টিতো হৈছে। বহুত লৰাই আবেদন কৰিছে কিন্তু লোণ বিলাক পোৱা নাই। কথা হ’ল মাননীয় অধ্যক্ষ মহোদয়, যিখিনি মানুহে লোণ লৈছিল তেতিয়া আমাৰ চৰকাৰ নাছিল। আৰু এই লোণ বিলাক লওঁতো লৰা বিলাকে বহুত টকা পইচা খৰছ কৰি পেলাই লৈছিলে। তেতিয়া তেওঁলোকে ভাবি ললে যে ইমান টকা দি লোণটো লৈছে আৰু টকা নুঘুৰালেও হব। তেনেকুৱা এটা পৰিৱেশ আছিলে।

**মাননীয় অধ্যক্ষ** ঃ টকাতো কাক দিলে?

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয়তো DIC office ত দিলে বা অন্য কৰোবাত দিলে। তেওঁলোকে আমি বহুত টকা দি লোন লৈছো আমি আৰু ক’ত ঘুৰাম। আৰু আটাইতকৈ ডাঙৰ সমস্যা এটা হৈছে মাননীয় অধ্যক্ষ মহোদয়, যে যিসকলে বহুত আগতে লোন লৈছিল, তেওঁলোকে পাহৰি গ’ল যে লোণ লোৱাৰ কথা এতিয়া আমাৰ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ যি টকা তেওঁলোকৰ একাউন্টত সোমাইছে , বেংক বিলাকে কেন্দ্ৰীয় চৰকাৰৰ আচঁনিৰ টকা বিলাক তেওঁলোকৰ একাউন্টৰ পৰা লৈ গৈছে। এতিয়া আমি ঘৰ বনাব পৰা নাই, এইটো এটা ডাঙৰ সমস্যা

হৈছে। গতিকে এইটো এটা ব্যৱস্থা লব লাগে। কাৰণ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ টকা বিলাক যাতে সেই দুখীয়া মানুহ বিলাকে পাই। মই এইটো আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিকে আছে। এইটো এটা গুৰুত্বপূৰ্ণ কথা। কাৰণ আগতে পইচা লৈছিলে এতিয়া এইটো পইচাৰ পৰা কাটি দিলে। ইয়াক কি কৰিব পাৰি সেইটো অলপ চাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়, কি পইচা লৈছিলে মই নাজানো সেইটো কথা। কাৰণ কত কি পইচা লৈছে, কি দিছে আগৰ চৰকাৰৰ দিনত। এইবাৰৰ কথাটো হ'ল যে হিতাধিকাৰীয়ে **২৫** হাজাৰ টকা জমা দিব লাগিব। হিতাধিকাৰীজনৰ 25% share থাকিব। সেইকাৰণে এই গোটেই কথাটো আমি ভালকৈ লোৱাৰ ব্যৱস্থাৰ কাৰণে চিন্তা কৰিছো। আমাৰ ইতিমধ্যে **১৭৪২৪** টা লোণ sanction হৈছে। তাৰ ভিতৰত **৪৬৪২** জনে পইচা পাইছেও। গতিকে বাকীখিনি কথা আমি আলোচনা-বিলোচনাৰ মাজৰে কৰি আছো। গতিকে সেইটোৰ এটা system নিশ্চয় ওলাম, সেই system ৰ মাজৰে এই গোটেইখিনি কাম কৰাৰ ব্যৱস্থা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, কোনোবা মানুহে যদি লোণ লৈছিল **১** লাখ টকাৰ, সেইটোৰ interest জমা হৈ হৈ **৩** লাখ টকা হৈ গ'ল। তেওঁৰ sanction হ'ব **১** লাখ টকা। কিন্তু লোণ যে **৩** লাখ টকা হৈ গ'ল বাকী **২** লাখ টকা কৰ পৰা আহিব।

**মাননীয় অধ্যক্ষ** ঃ সেই sanction হোৱা **১** লাখ টকা বেংকে কাটি লৈ যাব পাৰে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নোৱাৰে। সেই **১** লাখ টকা ললেও তেওঁৰ লোণটো clear কেনেকৈ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মই সেইটো কোৱা নাই। এতিয়া পইচাটো যে কাটি ললে, মানুহে ঘৰ সাজিব নোৱাৰা অৱস্থা হ'ল। এতিয়া কি কৰিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃমাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নটোত মই এটা কথা কওঁ যে তেখেতে একে একাউন্টত পইচা সোমালে কাটি লৈ যাব পাৰে। কিন্তু তেখেতে যদি একাউন্টতো সলনি কৰি পইচাটো বেলেগ একাউন্টত সোমাই, তেতিয়া পইচা ল'ব নোৱাৰে। সেইটো মই মন্ত্ৰী হিচাবে কোৱা উচিত নহয়। তথাপিও কৈ আছো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু মই এটা কথা কম কি আমাৰ হুলস্থুলৰ মাজতে এটা ডাঙৰ issue আছিল। যিটো আমাৰ জাতীয় জীৱনৰ লগত জড়িত। আৰু যিসকলে জয় আই অসম slogan দিলে তাৰ মাজতে আমাৰ মৃণাল শইকীয়া ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল নুমলীগড় ৰিফাইনাৰী সম্পৰ্কত। সেইটোৰ সম্পৰ্কত কব বিচাৰিছো যে নুমলীগড় ৰিফাইনাৰী disinvestment ৰ ক্ষেত্ৰত এটা কথা আছিলে। আজি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়া সদিচ্ছাৰ কাৰণে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাৰ কাৰণে নুমলীগড় ৰিফাইনাৰী এতিয়া disinvestment নহব। BPCL আমাৰ disinvestment হব। গতিকে BPCL disinvestment হলে BPCL ৰ এটা part আছিলে নুমলীগড় ৰিফাইনাৰী। BPCL ৰ চাৰিটা ৰিফাইনাৰী আছে, এটা কেৰেলাত, এটা মধ্যপ্ৰদেশ, এটা মোম্বাই আৰু এটা নুমলীগড়। তাত প্ৰায় **৬১** শতাংশ চেয়াৰ আছিলে। গতিকে মাননীয় প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াৰ আমাৰ প্ৰতি থকা সদ্‌ভাৱৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাৰ কাৰণে এতিয়া নুমলীগড় ৰিফাইনাৰী disinvestment নহয় আৰু সেইটো কেবিনেটত ইতিমধ্যে সিদ্ধান্ত হৈ গৈছে। কেবিনেটৰ সিদ্ধান্তত ভাৰতবৰ্ষৰ বিত্ত মন্ত্ৰী নিৰ্মলা চিতা ৰমন ডাঙৰীয়ানীয়ে এই কথাখিনি জনাইছে। সেই গতিকে সেইটো অসমৰ ৰাইজৰ কাৰণে এটা ভাল খবৰ যে নুমুলীগড় ৰিফাইনাৰী

disinvestment নহয়। তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া মাননীয় সদস্য পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা, চুতীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ দিছে আৰু বেংক আৰু Industry department ৰ যিখিনি কথা কৈছে মই আগৰ বিধান সভাতো কৈছিলো এই উত্তৰখিনিয়ে আহিছিলে। কিন্তু আমি বিচাৰিছো যে যিখিনি নিৰনুৱা লৰাই স্ব-নিৰ্ভৰশীল হ'ব বিচাৰিছে আৰু Industry department তে তেওঁলোকৰ দৰ্খাস্ত লৈছে, interview লৈছে, selection কৰিছে আৰু selection কৰাৰ পিছত bank লৈ পঠিয়াই দিয়াৰ পিছতো যে লোণটো নাপাই এই কথাটো তৎকালে মন্ত্ৰী ডাঙৰীয়াই কৈ আছে যে Lead Bank ৰ Manager ক basic দায়িত্ব দিছে এইখিনিৰ আমি ছৰিখন দেখি আছো। এইটোৰ কিন্তু সুফল হোৱা নাই। চৰকাৰৰ ফালৰ পৰা আমি কিয় ধমকি দিব নোৱাৰো যে state bank তোমোলোক আমি selection কৰি দিয়া লিষ্ট মতে তোমালোক payment নকৰা, যিসকলে re-payment কৰা নাই সেইসকলৰ কথা বেলেগ। কিন্তু যিসকলৰ ক্ষেত্ৰত objection নাই তেওঁলোকে fresh application দিছে, তেওঁলোকৰ কোনো বেংকৰ ঋণ নাই, তেওঁলোকৰ ক্ষেত্ৰত আজি যদি viable নহয় scheme টো তেতিয়া হলে Industry department তে কিয় approve কৰি পেলাই বেংকলৈ পঠিয়াইছে। এই কথাটো মই গুৰুত্বসহকাৰে লবলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। কাৰণ লাখ লাখ লৰাই আজি capital ৰ অভাৱত আজি ব্যৱসায় কৰিব নোৱাৰি, স্ব-নিৰ্ভৰশীল হব নোৱাৰি সিহতে বহিঃৰাজ্যলৈ গৈছে আৰু বহু বিপদত পৰিছে। আমাৰ চৰকাৰে নিৰনুৱাৰ স্বাৰ্থত এইটো যাতে কোনো compromise নকৰে, বেংকক compel কৰাবৰ কাৰণে শক্তিশালী পদক্ষেপ লব লাগে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো যে এইটো এটা শক্তিশালী পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে।

**মাননীয় অধ্যক্ষ ঃ** Thank you।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**-মাননীয় অধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ এজন মন্ত্ৰী হিচাপে মই কৈছো যে বেংকে ব'ম্বেৰ পৰা পইচা আনি ইয়াত বেংক খুলিছে নেকি ? এতিয়া লিড বেংকৰ লগত আমি কথা পাতিছো আৰু এই বিধান সভা শেষ হোৱাৰ পিছতে আমি লিড বেংকক এখন মিটিং পাতিব দিছো। গতিকে লিড বেংকৰ যিখিনি এন পি এ আছে সেইখিনি বেলেগ কথা। তাত ৪ টা পইন্ট কৈছিলো। এটা হ'ল এন পি এ আৰু দ্বিতীয় কথাটো হ'ল যে ২৫ হাজাৰ টকা হিতাধিকাৰীয়ে জমা দিব লাগে। গতিকে কিছুমান হিতাধিকাৰীয়ে ২৫ হাজাৰ টকা জমা দিব পৰা নাই, সেইটো এটা কথা আছে, কোনোবাই ২ লাখ টকাৰ কাৰণে লোন আবেদন কৰিছিল তেওঁ ৫০ হাজাৰ টকা জমা দিব লাগিব, তেওঁ জমা দিব পৰা নাই। গতিকে এই গোটেই কথাটো এটা পেকেজত আছে। গতিকে মই ইয়াৰ পিছত আৰু এখন মিটিং অতি সোনকালে কৰিম। আজি মই এই বিধান সভাত একো আশ্বাস নিদিও। মই মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰীৰ লগত এই আঁচনিটোৰ সম্পৰ্কত ভালকৈ ৰূপায়ণ কৰি সফল কৰিবৰ যদি অন্য কিবা ডিভাইচ উলিয়াব পাৰি নেকি কথা পতিম। কিন্তু আমাৰ কথা হ'ল ১ লাখ ল'ৰা-ছোৱালী এই লোনটো পায় আৰু স্ব-নিৰ্ভৰশীল হ'ব লাগে ।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (বিধায়ক)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অশোক শৰ্মাৰ প্ৰশ্নটোতে এটা পৰিপূৰক আনিব খুজিছিলো। সেইটো হৈছে যে ভাৰত চৰকাৰে এতিয়ালৈ আমাৰ কিমান উদ্যোগ স্থাপনৰ কাৰণে টকা দিছে আৰু এই সংক্ৰান্তত এটা কথা ক'ব বিচাৰিছো যে আমাৰ যি বাজেট দাখিল হৈছিলে এই পৱিত্ৰ বিধান সভাত সেই বাজেটত কেইবাটাও এনেকুৱা আঁচনি

উদ্যোগ বিভাগে গ্ৰহণ কৰিছিলে। মোৰ বিধান সভা সমষ্টিতে এটা ঔষধ উদ্যান স্থাপন কৰাৰ কথা সেই সময়ত বাজেটত ঘোষণা হৈছিলে আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ লগত কথা আলোচনা কৰোঁতো ভাৰত চৰকাৰে ইয়াৰ কাৰণে পইচা দিয়া বুলি তেখেতে অৱগত কৰিছিল। কিন্তু আজিলৈ এই ক্ষেত্ৰত কিবা আগবাঢ়িছে বুলি মই শুনা নাই, ইতিমধ্যে মাটি আৱন্টন কৰা হৈছে উপায়ুক্তৰ জৰিয়তে। তাৰ পিছতে মোৰ বিধান সভা সমষ্টিতে এখন টেক্সটাইল পাৰ্ক ভাৰত চৰকাৰৰ পইচাৰে স্থাপন হৈ আছিল। এতিয়া ৰাজ্য চৰকাৰৰ ফালৰ পৰা তাত তদাৰক কৰিছেনে নাই, কি কি কাম হৈ আছে, কেনেধৰণে কাম হৈ আছে বা পইচা কিমান খৰচ হ'ল মই শুনাত ৰাজ্য চৰকাৰৰ ফালৰ পৰা ভালকৈ তদাৰক কৰা নাই আৰু কাম বিলাকো নিম্নমানৰ হৈছে বুলি অভিযোগ উত্থাপন হৈ আছে আৰু ঔষধ উদ্যান খনৰ কথা আমাৰ বাজেটত ঘোষণা হৈছিলে। মাননীয় অধ্যক্ষ মহোদয়, লগতে মই এবাৰ কৈ দিছো যে আমাৰ চিন্থেটিক লিমিটেড সেইটো পুনৰউজ্জীৱীত কৰিবৰ কাৰণে ৬৫ কোটি টকা তেওঁলোকক দিলে। এতিয়া ৬৫ কোটি টকা দিয়া আজি প্ৰায় ২ বছৰ হৈ গ'ল, এতিয়ালৈকে তেওঁলোকৰ পুনৰউজ্জীৱীত কৰণৰ কাৰণে কি হৈছে, সেই টকা বিলাক সঠিক ব্যৱহাৰ হৈছে নে নাই, ৰাজ্য চৰকাৰৰ পৰা তদাৰক হৈছে নে নাই এই কথাটো মই জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষঃ** Short কৈ উত্তৰ দিব কাৰণ আমাৰ প্ৰশ্ন দুটা লম যিকোনো উপায়ে ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, মই বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াক জনাই থওঁ যে আমি ছিপাঝাৰৰ টেক্সটাইল পাৰ্কখন কৰিম আৰু সেইটো আজি মই আশ্বাস দিছো । যিখন ছিপাঝাৰত ফাৰ্মা চিউটিকেল পাৰ্ক হ'ব সেই খন হ'ব । এইটো মই তেখেতক আশ্বস্থ কৰিলো বিধান সভাৰ মজিয়াত। আৰু দ্বিতীয় কথাটো হ'ল যে ৫ বছৰত যি ৬৫ কোটি টকা ৰিলিজ কৰি দিছিল আগৰ চৰকাৰৰ সময়ত, গতিকে সেই পইচাটো সম্পৰ্কত মই আমাৰ বিষয়া সকলৰ লগত কথা পাতিছিলো । আমাৰ জেনেৰেল মেনেজাৰ বেংকৰ বিষয়া, অতিৰিক্ত সঞ্চালক উদ্যোগ বিভাগৰ, সেই পাৰ্ক খিনি পৰিদৰ্শন কৰিছিল । তাত তেওঁলোকে ৬৫ কোটি টকাৰ ভিতৰত কি কি কাম কৰিছিল সেই কামৰ খতিয়ান খিনি মোৰ ওচৰত দাখিল কৰিছে । আৰু টেক্সটাইল পাৰ্ক এখনো তাত হ'ব । গতিকে দৰং জিলাত এইবাৰ খুব ভাল কথা যে টেক্সটাইল পাৰ্ক হ'ব, ফাৰ্মাচিটিকেল পাৰ্ক হ'ব তেওঁলোকৰ তাত আৰু অসমৰ ভিতৰত, ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম খন ইন্টাৰনেশ্যনেল স্কীল ইউনিভাৰচিটি ও মঙ্গলদৈতে হ'ব । গতিকে দৰংৰ কাৰণে খুব ভাল খবৰ এইবাৰ ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমি ইয়াৰ পিছত সুৰেণ ফুকন, তেখেত অনুপস্থিত, ওৱাজেদ আলী চৌধুৰী তেখেত অনুপস্থিত। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা। কলিতা ইয়াৰ পিছত এটা প্ৰশ্ন ল'ব লাগিব। নৰেণ সোণোৱাল। আজিলৈকে তেওঁক ক'ব সুযোগ দিয়া নাই। গতিকে প্ৰশ্নটো পাৰিলে চমু কৰিব ।

**শ্ৰী ৰিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনিও অৱগত যে আমাৰ ৰাজ্য খনত ২৪ খন জিলাত আৰ্চেনিক যুক্ত আৰু ফ্লৰাইড যুক্ত পানী আছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে, আমি দেখিছো যে কিছু কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এটা কথা ক'ব বিচাৰিছো যে এই আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত পানী থকা জিলা খিনিত ২৬৭৮ টা পকী কুৱা দিছে। এতিয়া পকী কুৱা দিলে তাত এই আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত পানী নাথাকিব নেকি ?

দ্বিতীয়তে, ইয়াত উল্লেখ কৰিছে অসমত প্ৰায় ২৩০৫ টা পানী যোগান আঁচনি বিকল হৈ আছে । এতিয়া ২৩০৫ টা বিকল হৈ থকা যি কেইটা আঁচনি আছে, এই আঁচনি খিনিৰ বাবে ইতিমধ্যে ৫০ লাখ টকা দিয়া হৈছে । এতিয়া ৫০ লাখ আঁচনিৰ যদি এটা সমষ্টিত maximam ৪ টা ধৰো তেতিয়াহ'লে ৫০৪ বিকল আঁচনি সক্ৰিয় হ'ব। কিন্তু সকলোতে আকৌ ৪ টাও নহ'ব, তাতকৈ কম হ'ব । গতিকে এতিয়া ২৩০৫ টা যি সকল যি বিকল আঁচনি আছে, এই আঁচনি কেইটা যদি এনেকৈ কাম কৰে তেতিয়াহ'লে কিমান বছৰ লাগিব । আৰু সেই বিকল হোৱা পানী যোগান আঁচনিটো যদি ভাল কৰা নাযায় বা সক্ৰিয় কৰা নাযায় তেতিয়াহ'লে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'ব । গতিকে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে । বিশেষকৈ পশ্চিম গুৱাহাটী সমষ্টিৰ কেইটামান SAGY, সাংসদ গ্ৰাম্য যোজনা ৰ জৰিয়তে প্ৰায় ৮ কোটি ৫৫ লাখ দিয়া হৈছিল । গতিকে এই টকাটো এতিয়াৰ নহয়, বহু বছৰ হ'ল । কিন্তু এতিয়াও দেখা গৈছে যে ইয়াত যিটো progress দেখুৱাইছে মই জনাত এই খিনি হোৱা নাই । কৰবাত ১০ শতাংশ, ২০ শতাংশ ৰ progress হৈছে। গতিকে এই আঁচনি খিনিৰ যি বিলাক ঠিকাদাৰক কাম দিয়া হৈছে সেই ঠিকাদাৰ সকলক কেতিয়া কাম দিয়া হৈছিল, কেতিয়া কাম কৰিছে আৰু progress টো এই অৱস্থাত আছে কিয় । এইখিনি কথা মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**শ্ৰী ৰিহন দৈমাৰী (মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত অঞ্চল বিলাকত কেনেকুৱা ধৰণে ৰিং ওৱাল বহুৱাই কেনেকৈ আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত কৰিব পাৰে সেই প্ৰশ্নটো উত্থাপন কৰিছে । আৰ্চেনিক আৰু ফ্লৰাইড টো certain depth ত থাকে। মানে যিমানেই গভীৰতম যাব তাত আৰ্চেনিক আৰু ফ্লৰাইড পোৱাৰ সম্ভাৱনাটো বেছি। কিছুমান ঠাইত আমি একেবাৰে ওপৰতে পানীটো পাওঁ। ১০-১৫ Ringwall দিলে, সেই Depth খিনিত কেতিয়াবা আমি আৰ্চেনিক বা ফ্লৰাইড নাপাওঁ আৰু আমি Ringwall যিটো আমি দিছো সেইটো temporary measure. যিবোৰত ইতিমধ্যে ৰিংৱাল বা টিউৱৱেল আৰ্চেনিক মুক্ত পানী আমি খুৱাই আছো । সেইটো temporary measure আৰু এই বিলাক অঞ্চলত ইতিমধ্যে আমি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে । আপোনালোকে শুনি ভাল পাব যে আমাৰ ইতিমধ্যে ২৫০০ টা হেবিটেশ্যন কৰি আমি আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত কৰি আমি জনসাধাৰণক খোৱা পানীৰ ব্যৱস্থা কৰি দিছো। এতিয়া ৪ হাজাৰতকৈ ওপৰত বাকী আছে । সেই খিনি আমি কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ প্ৰেৰণ কৰিছিলো আৰু যোৱা মাহত প্ৰায় ৩০৭ টা আমি আৰ্চেনিকৰ কাৰণে আৰু ৬ টা আঁচনি ফ্লৰাইডৰ কাৰণে ইতিমধ্যে আমি অনুমোদন লাভ কৰিছে । গতিকে আমাৰ লক্ষ্য আছে যে অহা ২০২১ চনৰ মাৰ্চ মাহৰ ভিতৰত আমি গোটেই ৰাজ্য খনতেই এতিয়ালৈকে য'ত য'ত আমি আৰ্চেনিক বা ফ্লৰাইড পাইছো সেই অঞ্চল বিলাকত আমি আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত পানী দিবৰ কাৰণে আমি সক্ষম হৈছো। গতিকে আমাৰ লক্ষ্য আছে অহা ২০২১ চনৰ মাৰ্চ মাহৰ ভিতৰত গোটেই ৰাজ্য খনত, এতিয়ালৈকে য'ত য'ত আৰচেনিক বা ফ্ল'ৰাইড পাইছো সেই অঞ্চল বিলাকত আমি আৰচেনিক আৰু ফ্ল'ৰাইড মুক্ত পানী দিবৰ কাৰণে সক্ষম হ'ম। ইতিমধ্যে বিকল আঁচনি যিবিলাক আছে সেইবোৰ বিকল হৈ থকা কাৰণবোৰ বিভিন্ন কাৰণ হ'ব পাৰে। ইতিমধ্যে বিভিন্ন সময়ত আমাৰ এই পবিত্ৰ সদনত মই কৈছো যে এই বিকল হৈ থকা আঁচনিবোৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই নেতৃত্ব লোৱাৰ পিছত আমি পুনৰ মেৰামতি কৰাৰ ব্যৱস্থা ইতিমধ্যে কৰিছো। মই প্ৰথম অৱস্থাত প্ৰতিটো বিধান সভা সমষ্টিত ৩৬ লাখ টকাকৈ মই দিছিলো আৰু তাৰপিছত মই ৫০ লাখ টকাকৈ দিছো। তৎসত্বেও বিকলৰ সংখ্যাটো কমি অহা

নাই। কাৰণ আজিৰ তাৰিখত আমি দেখা পাইছো গাওঁ অঞ্চলত আমাৰ ৰাস্তা-ঘাটবোৰ নতুনকৈ বনাইছে, বহল কৰা হৈছে যাৰ কাৰণে আমাৰ বহুত আঁচনি যথেষ্ট ক্ষতি হৈছে। তথাপিতো আমি ব্যৱস্থা লৈছো, ইয়াৰ কাৰণে পুঁজি লবৰ কাৰণে আমি ইতিমধ্যে চেষ্টা কৰিছো। আমাৰ লক্ষ্য আছে সেইখিনিও আমি অহা দিনবোৰত পুঁজি সাপেক্ষে সেই খিনি সম্পূৰ্ণ কৰিম। ইতিমধ্যে আপোনালোকে জানি সুখী হ'ব যে অহা ২০২৪চনৰ ভিতৰত আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ঘোষণা কৰিছে যে 'জল জীৱন' মিছনৰ যোগেদি প্ৰতিখন গাঁৱত প্ৰতিটো পৰিয়ালত টেপ যোগেৰে পানী দিয়াৰ ব্যৱস্থা হৈছে। গতিকে বিকল হৈ থকা আঁচনি বা কৰবাত যদি তেনেকুৱা আঁচনি হোৱা নাই এতিয়ালৈকে অহা ২০২৪ চনৰ ভিতৰত সেইটো সম্পূৰ্ণ হৈ উঠিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোহয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিলে যে ২০২১ চনৰ ভিতৰত যিকেখন জিলাত আৰচেনিক আৰু ফ্ল'ৰাইড যুক্ত পানী আছে, সেইখিনি নিৰাময় কৰাৰ কাৰণে ব্যৱস্থা ল'ব, সেইবাবে মই ধন্যবাদ দিছো। দ্বিতীয়তে, বিকল হৈ থকা যিখিনি পানী যোগান আঁচনি আছে, সেই বিকল হৈ থকা পানীযোগান আঁচনিসমূহ যদি ২০২৪ চনলৈ, যথেষ্ট সময়। গতিকে মই ভাৱো যে এইটো কিবা Special হিচাপে লৈ, বিশেষ ভাৱে লৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা যদি পুঁজি আনি এই বিকল হৈ থকা পানীযোগান আঁচনিসমূহ যদি সক্ৰিয় কৰিব পাৰে তেতিয়াহলে বহু মানুহে বিশুদ্ধ পানী পাব। কাৰণ এতিয়া বহুত ঠাইত এনেকুৱা ভিতৰুৱা কিছুমান অঞ্চলত য'ত বিশুদ্ধ পানী পাবৰ কাৰণে সক্ষম হোৱা নাই। তৃতীয়তে, মোৰ এটা প্ৰশ্নৰ উত্তৰ দিয়া নাই। সেই সংসদ যিটো, গ্ৰাম্য পুঁজি যোঁজনাৰ জৰিয়তে, সেইটোৰ উত্তৰ নাপালো। সেইখিনি কি অৱস্থাত আছে সেইটোৰ উত্তৰ পালে মই আৰু প্ৰশ্ন নকৰো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মই পাহৰি গৈছিলো, তেখেতৰ সমষ্টিত সংসদ গ্ৰাম্যন্নোয়ন যোঁজনাৰ যোগেদি আমাৰ সাংসদ সকলে বাচনি কৰি দিছিল, সেই আঁচনিসমূহ আমাৰ পশ্চিম গুৱাহাটী সমষ্টিত দক্ষিণ ভোলাগাঁও পঞ্চায়ত আৰু ৰাণীগাঁও পঞ্চায়ত।

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি তেখেতে জানে, কি হ'ব সেইটো সুধিছে এতিয়া।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** সেইখিনি আমি কৰি আছো। এতিয়া ইয়াত যিখিনি প্ৰগ্ৰেছ আহিছে সেই তথ্যটো যদি সচাঁ নহয় নিশ্চয় মই সেইটোৰ ব্যৱস্থা ল'ম। আৰু এদিন যদি আপুনি সন্মতি প্ৰদান কৰে আমি দুয়োজনে যাম আৰু চাম কিমান প্ৰগ্ৰেছ হৈছে। মই কথা দিছো সেইটো সময়মতে আমি কামটো সম্পূৰ্ণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ডাঃ নোমল মমিন, চুটিকৈ ক'ব।

**ডাঃ নোমল মমিন ঃ** অধ্যক্ষ মহোদয়, এটা প্ৰশ্ন সুধিব খুজিছো, যিহেতু আৰচেনিক আৰু ফ্ল'ৰাইড যুক্ত ঠাইবোৰ চিনাক্তকৰণ কৰা হৈছে, গতিকে এই অঞ্চল সমূহত আমি যেতিয়া আঁচনি বিলাক ধৰো তেতিয়া এটা device যিটো আৰচেনিক আৰু ফ্ল'ৰাইড নিস্কাষণ কৰা যিটো ওলাইছে, সেইটো সংযোগ কৰি যদি আঁচনিটো লওঁ, মই ভাৱো তেতিয়াহলে এই আৰচেনিকৰ অসুবিধাবোৰ ভৱিষ্যতে নাইকিয়া হ'ব। আৰু এটা ঘৰুৱা যিটো ফ্ল'ৰাইড মুক্ত কৰিব পাৰে চূণ শিল আৰু এটা কেমিকেলৰে ঘৰতে এইটো নিস্কাষণ কৰা পদ্ধতি আছে। সেইটো অতি সহজ আৰু কম খৰচী। ৫০ হাজাৰ টকাৰে মোৰ ঘৰৰ ওচৰৰ এখন গাঁৱত মই সম্পূৰ্ণৰূপে ফ্ল'ৰাইড মুক্ত কৰিবলৈ সক্ষম হৈছো। এই দুটা ব্যৱস্থা ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী, এইটো ভাল পৰামৰ্শ। আজি এইটোত নিদিও, কেইবাজনেও হাত দাঙিছে, বেয়া নাপাব। এজন নতুন সদস্যই প্ৰথমবাৰ প্ৰশ্ন কৰিছে তেওঁৰ প্ৰশ্নটো দিব বিচাৰিছো।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, হয় আজি কালি ফ্ল'ৰাইড আৰু আৰচেনিক মুক্ত কৰিবৰ কাৰণে বহুত নতুন নতুন প্ৰযুক্তি ওলাইছে আৰু ইতিমধ্যে মই কৈছোৰে গোটেই অঞ্চলত আমি স্থায়ীভাৱে সেই সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে চেষ্টা কৰিছো। এইবাৰ আমি কিছু অস্থায়ী ব্যৱস্থা লৈছো, আমাৰ বাজেট ভাষণত কিছু পৰিমাণ আছিল, তাতে আমি কেইবাটাও ফিল্টাৰ দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰিছো আৰু খুব সোনকালে সেইবিলাক আমি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত নৰেণ সোনোৱাললৈ যাব বিচাৰিছো, কাৰণ ৰূপজ্যোতি কুৰ্মী অনুপস্থিত। প্ৰশ্ন নং ১০।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** নৰেণ সোনোৱাল।

**শ্ৰী নৰেণ সোনোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে মই ভাল পাইছো। এটা কথা মই জানিব বিচাৰিছো যে আমাৰ নামৰূপ সাৰকাৰখানাটো লেহেমীয়া গতিত হৈ আছে আৰু ভালেইকেইটা দলে দিছে যে National Fertilizer য়ে দিছে ৩৫ শতাংশ, OIL India Ltd. য়ে দিছে ২৬ শতাংশ, National Chemical Fertilizer য়ে দিছে 17 শতাংশ, BVFCL য়ে দিছে ১১ শতাংশ, অসম চৰকাৰে দিছে ১১ শতাংশ। তথাপিতো মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কিয় এইটো সোনকালে হৈ উঠা নাই। আৰু যদি হৈ উঠে কমেও ৪ বা ৫ বছৰ লাগিব। গতিকে পুৰণা ২ আৰু ৩ নম্বৰ গ্ৰুপটোৰ মেৰামতিৰ কাৰণে এশ কোটি টকাৰ প্ৰয়োজন হ'ব বুলি আমি জানিব পাৰিছিলো। গতিকে এই এশ কোটি টকা ধাৰ্য্য কৰি, যেতিয়ালৈকে নহয় এই ২ আৰু ৩ টো চলি থকা এটা ব্যৱস্থা ল'ব লাগে বুলি আপোনাৰ যোগেদি মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নৰেণ সোনোৱাল ডাঙৰীয়াই যিটো কথা কৈছে সেইটোত আমি আমাৰ চৰকাৰৰ সহমত আছে। আৰু আমি বিচাৰিছো যে ৪ নং গোটটো তাত হোৱাটো উচিত। এই সম্পৰ্কত অধ্যক্ষ ডাঙৰীয়া আপোনাৰ যোগেদি মাননীয় সদস্য গৰাকীক জনাইছো যে নামৰূপৰ যিটো চতুৰ্থ ইউনিট হ'ব তাৰ কাৰণে আমাৰ ইতিমধ্যে পত্ৰ নং CI. 133/2011/61 dated 02-07-2012 জৰিয়তেদি আমি তলত দিয়া প্ৰস্তাৱকেইটা ইতিমধ্যে অসম চৰকাৰৰ পৰা দিছো। এটা প্ৰস্তাৱ হ'ল (১) অসম চৰকাৰে উক্ত প্ৰকল্পটোত ১১ শতাংশ ইকুইটি বিনিয়োগ কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

(২) BVFCL ৰ কৰ্মচাৰী সমূহৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে private partner ৰ দ্বাৰা পৰিচালিত এটা Joint Venture Company গঠনৰ প্ৰস্তাৱত অসম চৰকাৰে সহমত প্ৰকাশ কৰিছে।

(৩) BVFCL ৰ মাটি নতুনকৈ গঠন কৰিব লগীয়া Joint Venture Company লৈ হস্তান্তৰ কৰাৰ প্ৰস্তাৱত অসম চৰকাৰে No Objection ত অনুমোদন জনাইছে। গতিকে এই ক্ষেত্ৰত মই এটা কথা কওঁ এই যিটো BVFCL , গতিকে তেওঁলোকে Joint Venture Company যিটো হৈছে তাৰ ফলত ইয়াত এটা কথা লিখিত আছে যে - M/s BVFCL (11%) respectively and remaining 52% equity was to be allotted to

a Private or Public entity through competitive bidding. However, due to non-receipt of bids against the Request for Proposal (RFP) floated by the Company, the case could not be materialized. তাৰ পিছত দ্বিতীয়তে কোৱা আছে যে - Afterwards, as the previous initiative to establish the project through PPP mode by adopting bidding route didn't succeed, a new initiative was taken by the Department of Fertilizers, Govt. of India to set-up the proposed project through PSU route on nomination basis with equity participation by M/s OIL, M/s BVFCL and M/s RCF Ltd. @ 26%, 11% and 52% respectively and remaining 11% equity to be allotted to Govt. of Assam.

**মাননীয় অধ্যক্ষ ঃ** সময় কম আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** যি ১১ শতাংশ সেইটো অসম চৰকাৰে দিলে। কিন্তু এই নতুন route ত যেতিয়া তেওঁলোকে কাম কৰি আছে, গতিকে এই নতুন route ত কাম কৰিলে কোনোবাই যদি Respond কৰে, তেতিয়াহলে এই ইউনিটতো হোৱাৰ সম্ভবনা আছে। দ্বিতীয় কথাটো হ'ল ইয়াতে অসমত গেছ্‌ৰ সমস্যা আছে। গতিকে নামৰূপৰ যিটো সাৰ কাৰখানা BVFCLত, তাত আমাক গেছ লাগে আৰু BCPLত আমাক গেছ্ লাগে। কিন্তু গেছটো আমাৰ কম সেইটো এটা সমস্যা আছে। অধ্যক্ষ মহোদয় মাননীয় সদস্যগৰাকীৰ জ্ঞাতাৰ্থে মই জনাইছো যে নীতিন গাডকাৰী ডাঙৰীয়াই তেখেতৰ চেম্বাৰত ইথানল প্ৰডাকশ্যনৰ ক্ষেত্ৰত এখন মিটিঙ লৈছিল তাত আমাৰ ফাৰ্টিলাইজাৰৰ মন্ত্ৰী ডাঙৰীয়া প্ৰয়াত আনন্দ কুমাৰ, ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়া উপস্থিত আছিল , তাত মইও উপস্থিত আছিলো। তাত মই আনন্দ কুমাৰ ডাঙৰীয়াক এই কথাখিনি কৈছিলো, তেতিয়া তেখেতে মোক কৈছিল যে " ধমেৰ্ন্দ্ৰ প্ৰধান জীকো বলিয়ে গেছ দেনেকেলিএ " । এই প্ৰচেষ্টাখিনিৰ বাবে অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব যে, আমাৰ যিহেতু গেছ্‌ৰ নাটনি আছে সেই বাবে আমি এটা প্ৰস্তাৱ দিছো যে আমি নেশ্যনেল গ্ৰীডৰ লগত কানেকশ্যন কৰি এডাল গেছ পাইপলাইন অসমলৈ আহিব লাগে। এতিয়া আমাৰ সেই গেছ পাইপ লাইনটো চেংশ্যন হৈছে ৬,০০০ কোটি টকাত । গেইলে কামটো কৰি আছে। গতিকে মই ভাবো যে অহা বছৰ গেছ পাইপ লাইন ডাল আহি গ'লে এই সমস্যাখিনি সমাধান হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া 'জিৰো' আৱাৰ। মই সন্মানীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাক 'প্ৰতিদিন' বাতৰি কাকতত প্ৰকাশিত বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। তাৰ আগতে মই এটা কথা সদনক জনাব বিচাৰিছো যে আমাৰ এখন ৰুল বুক আছে। ৰুল বুকখন সকলোৱে যিমান পাৰে মানি চলা উচিত। Adjournment Motion ৰ গোটেই কথাটো আছে যে Question hour ৰ পিছত প্ৰথম Item সেইটো হ'ব লাগে, এইটো নিয়ম। যিমানে গুৰুত্বপূৰ্ণ বিষয় নহওক কিয় যদি তেওলোকে interested আছিল এই মুহুৰ্ত্তত তেওঁলোকে উঠাব লাগিছিল। কিন্তু তেওলোকে নুঠালে। মই নিজেও কৈছো এইটো important matter এইটো discussion হ'লে আপত্তি নাই। চৰকাৰেও কৈছে আপত্তি নাই। কিন্তু গোটেই কথাটো হৈছে- তেখেতসকলে যিটো কৰি আছে এইটো কিন্তু সদনৰ নীতি নিয়ম উলংঘা হৈছে। এইটো কিন্তু দুখজনক। যোৱাবাৰো একেটাই হৈছিল । তেওঁলোকে ৰুলছ খন Change কৰক । All Party ত বহক Leader of the opposition এ কওঁক ৰুল খন চেঞ্জ কৰিব লাগে। ৰুলত কওক Adjournment

motion প্ৰথমতেই দিব লাগে । মই ৰুলমতেহে মই চলাব পাৰিম। সেই কাৰনে কৈছো যে এইটো দূৰ্ভাগ্যজনক। --- এতিয়া ৰমেন্দ্ৰ নাৰায়ন কলিতা ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ অক্টোৱৰ, ২০১৯ তাৰিখে 'অসমীয়া প্ৰতিদিন ' কাকতত প্ৰকাশিত "চৰকাৰৰ নতুন ভূমি নীতিত মাটিৰ পট্টাৰ পৰা বঞ্চিত হ'ব গুৱাহাটীৰ খিলঞ্জীয়া " আৰু "১১ নবেম্বৰত কৃষক মুক্তিৰ গণ ধৰ্ণা। " মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ । আমি যদি চাও তেনেহ'লে ১৯৪৯ চনৰ পৰা ১৯৮৯ চনলৈকে আমাৰ এই ভূমি নীতিখন ৭বাৰ পৰিৱৰ্ত্তন হৈছে । ৭ বাৰ পৰিৱৰ্ত্তন হোৱাৰ পিছতো আমি দেখা পাইছো যে এই ভূমিৰ সমস্যাটো স্থায়ীভাবে আজিলৈকে সমাধান নহ'ল। এতিয়া জানিব পৰা মতে অসমত প্ৰায় ৩ লাখ ৬২ হাজাৰ ৪৫০ টা ভূমিহীন পৰিয়াল আছে। এতিয়া এই ভূমিহীন পৰিয়ালসমূহক ভূমি দিয়াৰ সমস্যাটোতো আছেই তাৰোপৰি আমি দেখা পাইছো যে গুৱাহাটী মহানগৰীত প্ৰায় ৮৫ হাজাৰ পৰিয়ালকে ধৰি ৰাজ্যখনৰ প্ৰায় ৪০ লাখ খিলঞ্জীয়া পৰিয়ালে এতিয়ালৈকে মাটিৰ পট্টা পোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব বিচাৰিছো যে বৰ্ত্তমান প্ৰায় ৪০ লাখ যি খিলঞ্জীয়া পট্টাবিহীন পৰিয়াল আছে । সমগ্ৰ অসমতে এই পৰিয়ালসমূহৰ বাবে এখন ভূমি নীতি কৰাৰ কাৰনে আমাৰ ৰাজ্য চৰকাৰে ইতিমধ্যে সিদ্ধান্ত লোৱা বুলি আমি গম পাইছো। এই ভূমি নীতিৰ আধাৰত কেতবোৰ নীতি আমাৰ কেবিনেটে মানি লোৱা বুলি মই প্ৰচাৰ মাধ্যমৰ যোগে ইতিমধ্যে মই গম পাইছো। ইতিমধ্যে ২০১৭ চনৰ ৬ ফেব্ৰুৱাৰীত আমাৰ ৰাজ্য চৰকাৰে অধিসূচনা যোগে আমাৰ ভাৰতৰ প্ৰাক্তণ নিৰ্ব্বাচনী আয়ুক্ত শ্ৰীহৰি শংকৰ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত এটা কমিটিও গঠন কৰি দিয়া হৈছে। এই কমিটিয়ে ইতিমধ্যে ৩০ ডিচেম্বৰ,২০১৮ তাৰিখে প্ৰতিবেদন ৰাজ্য চৰকাৰৰ হাতত দাখিল কৰা বুলিও আমি জানিব পাৰিছো। ভূমিৰ ক্ষেত্ৰত কি নীতি ৰিপোৰ্টখনত কমিটিয়ে চৰকাৰক দাখিল কৰিলে এই ভূমি নীতিখন মই ভাবো যে আমাৰ বিধান সভাৰ প্ৰতিজন সদস্যই জনাটো উচিত । এই ভূমি নীতিৰ ওপৰত বিধান সভাৰ মজিয়াত্তে এটা আলোচনা হোৱা উচিত বুলি মই বিবেচনা কৰো। কাৰণ এই ভূমি নীতিৰ আধাৰত যিহেতু আমাৰ ভূমি আইন আছে, এই ভূমি আইনখনো সংশোধনৰ প্ৰশ্নটো আহিব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে হৰি শংকৰ ব্ৰহ্ম ডাঙৰীয়াই যি ভূমি নীতি ইতিমধ্যে ৰাজ্য চৰকাৰৰ হাতত দাখিল কৰিছে এই ভূমি নীতিখন আমাৰ এই বিধান সভাৰ অধিবেশনখন চলি থকা অৱস্থাতে এই ভূমি নীতিখন দাখিল কৰিব লাগে। আমি জানো যে ১৯৬৪ চনৰ পৰাই অসমত মাটিৰ জৰীপ হোৱা নাই। মাটিৰ জৰীপ নকৰাকৈ আমাৰ ৰাজ্য চৰকাৰে কেনেকৈ খিলঞ্জীয়া মানুহক ভূমিৰ পট্টা দিব তাত কিছু সন্দেহৰ কথা আছে। হয়, ৰাজ্য চৰকাৰে এটা ভাল সিদ্ধান্ত লৈছে যে ৰাজ্যৰ ১ লাখ খিলঞ্জীয়া মানুহক মাটিৰ পট্টা দিব। এইটো আমি ভাল পাইছো কিন্তু কথাটো হৈছে যে ৪০ লাখ মানুহক ভূমিৰ পট্টা দিয়াৰ প্ৰশ্নটো জৰিত হৈ আছে গতিকে মই ভাবো আমাৰ ৰাজ্য চৰকাৰখনে এই ৪০ লাখ মানুহক কেনেকৈ কি প্ৰক্ৰিয়াৰে ভূমিৰ পট্টা দিব এই ক্ষেত্ৰত চৰকাৰে এটা সিদ্ধান্ত লোৱাটো উচিত বুলি মই ভাবিছো। ইতিমধ্যে আমাৰ বাতৰি কাকতত প্ৰকাশ পাইছে যে গুৱাহাটীৰ পাহাৰ অঞ্চলত প্ৰায় ৮৫ হাজাৰ পৰিয়াল বসবাস কৰি আছে। এই ৮৫ হাজাৰ পৰিয়ালক মাটিৰ পট্টা দিয়া নহ'ব বুলি ইতিমধ্যে বাতৰি কাকতত প্ৰকাশ পাইছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰীক প্ৰশ্ন কৰিব বিচাৰিছো যে গুৱাহাটীৰ পাহাৰ অঞ্চলত যিসকল পৰিয়ালে আজি প্ৰায় ৫০-৬০ বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকক ভূমিৰ পট্টা নিদিয়াৰ সিদ্ধান্ত কেবিনেটত হৈছে

নেকি ? এই কথাটো আমাৰ জনসাধাৰণক স্পষ্ট কৰি দিয়া উচিত বুলি মই বিবেচনা কৰিছো। ইতিমধ্যে ক্লাচিফিকেশ্যনৰ জৰিয়তেও কৃষকৰ বহু মাটি পৰিৱৰ্ত্তন কৰি বৃহৎ পুঁজিপতিক মাটি দিয়া আমি বিভিন্ন সময়ত দেখা পাইছো। গতিকে এইটো এটা ব্যৱস্থা যি ব্যৱস্থাৰ জৰিয়তে ভূমিৰ সমস্যাটো স্থায়ীভাবে সমাধান কৰি অসমত বসবাস কৰা খিলঞ্জীয়া মানুহখিনিক ভূমিৰ পট্টা দিয়াৰ যিটো ৰাজ্য চৰকাৰৰ ঘোষণা এই ঘোষণাটো যাতে বাস্তৱত সফল ৰূপ দিয়ে তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় ৰাজহ মন্ত্ৰীক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- অতুল বৰা ডাঙৰীয়াই নোটিছ দিছিলে। আপুনি ক'ব পাৰে ।

**শ্ৰীঅতুল বৰা (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, গুৱাহাটী মহানগৰত থকা বিশেষকৈ অসমৰ ভূমি নীতিৰ প্ৰতিবেদন খনৰ ওপৰত নিৰ্ভৰ কৰি হৰি শংকৰ ব্ৰহ্মৰ দ্বাৰা সভা আহ্বান কৰিছিলে তাত আমি উপস্থিত আছিলো। কিন্তু প্ৰতিবেদনখন আমি পোৱা নাই কাৰণে আমি নাজানো যে তেওঁ কি প্ৰতিবেদন দাখিল কৰিছে। কিন্তু মই ক'ব বিচাৰিছো যে পাহাৰীয়া মাটি আৰু সংৰক্ষিত বনাঞ্চলৰ মাটি ভাগ ভাগ হ'ব লাগে। সংৰক্ষিত বনাঞ্চল, বন্যপ্ৰাণী অভয়াৰণ্য এইবোৰত পট্টা নিদিয়াটো বেলেগ কথা। বিশেষকৈ আমচাং বন্যপ্ৰাণী অভয়াৰণ্যত যি আছে সেয়া উচ্ছেদ কৰিব লাগে। এতিয়া কথাটো হৈছে যে চুণচালি গ্ৰান্টৰ চাহ বাগিছাৰ সেই মাটিখিনিৰ দুজন ভাই ককাইক আমি লগ পাইছিলো। মই মন্ত্ৰী হোৱাৰ পিছত এখন মডেল গাৰ্ডেন কৰাৰ ইচ্ছাৰে কলগছ, চাহপাতৰ পুলি লগাইছিলো আৰু তাত প্ৰায় ১০০-৫০০ মান বনুৱা, কৰ্মচাৰী আছিলে। বাগানত সেই গ্ৰান্টৰ যিখিনি মানুহ বহিছে সেইখিনি মানুহে কোনো বাধা নোপোৱাকৈ মাটিৰ পট্টা পাব লাগে। সেইখিনি মানুহে মাটিৰ পট্টা পাবৰ কাৰণে মই আজি সদনত উত্থাপন কৰিলো। বিশেষকৈ গুৱাহাটীত থকা খিলঞ্জীয়া মানুহখিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যেতিয়া প্ৰয়াত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী আছিলে তেতিয়া ভূমি পট্টন সমিতিৰ সভাপতি আছিল প্ৰয়াত ফণী শৰ্মা। তেওঁলোকে চানমাৰীত এখন সভা পাতিছিলে আৰু মই ৭০০ মানুহক বিনামূলীয়া মাটি দিব লাগে বুলি তাত অৱস্থান ধৰ্মঘট কৰিছিলো। সেই সময়ত যিয়ে মাটি কিনিব বিচাৰিছিল তেওঁলোকে ৰেট ধৰিছিলে প্ৰায় এক-ডেৰলাখ টকা। কিন্তু সেই সময়ৰ যিটো মূল্য আজি হয়তো ৮-৯ লাখ টকা হ'ব। আকৌ আজি যদি মূল্যটো বেছিকৈ দি দিয়ে সেই একে খিনি দুখীয়া মানুহে আকৌ মাটি কিনিব নোৱাৰিব। গতিকে মই ভাৱো পাহাৰ অঞ্চলত যিখিনি মানুহে বসবাস কৰিছে (যিখিনি বনাঞ্চল নহয়) সেই সকলক ম্যাদী পট্টা দিয়াৰ ক্ষেত্ৰত এটা নিয়ম বান্ধিব লাগে যে যিটো মূল্য দিয়া হ'ব সেইখিনি যাতে তেওঁলোকে তেওঁলোকৰ উপাৰ্জনেৰে কিনিব পাৰে। গতিকে গুৱাহাটীৰ চাৰিজন বিধায়কক লৈ মন্ত্ৰী ডাঙৰীয়াই বা চৰকাৰৰ প্ৰতিনিধিয়ে ভূমি নীতিৰ বিষয়ে কথা পাতিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভবেশ কলিতা (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্যকালীন ঘণ্টাত শ্ৰদ্ধাৰ বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিল সচাঁকৈয়ে খুব স্পৰ্শকাতৰ। ইয়াত ভূমি নীতিৰ কথা কোৱা হৈছে যে ১৯৮৯ চনৰ পিছত ২০১৯ চনত সুদীৰ্ঘ ৩০ বছৰ পিছত নতুন ভূমি নীতি লোৱা হৈছে। তাৰবাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই ভূমি নীতিখন অসম বিধান সভাৰ পবিত্ৰ সদনত ১২৬ জন সন্মানীয় বিধায়কৰ আগত উপস্থাপন কৰাৰ কথা আছিল। হয়তো কালি আপোনালোকে পাব। ভূমি নীতিখন যিহেতু ইংৰাজীত বনোৱা হৈছে পৰৱৰ্ত্তী সময়ত ইয়াক অসমীয়ালৈ অনুবাদ কৰাৰ ব্যৱস্থা ৰাজহ বিভাগে কৰি আছে।

যিহেতু খেতিয়ক সকলৰ সকলো বিলাক ইংৰাজী মাধ্যমৰ নহয় আৰু তাত হৰিশংকৰ ব্ৰহ্ম ডাঙৰীয়াৰ যিখিনি প্ৰতিবেদন সেইখিনি তাত লিপিবদ্ধ কৰা হৈছে। বিভিন্ন জনৰ পৰামৰ্শ লৈ এই নতুন ভূমি নীতিখন তৈয়াৰ কৰা হৈছে। পৰৱৰ্ত্তী সময়ত তেখেতে এটা কথা আনিছে যে গুৱাহাটী মহানগৰত প্ৰায় ৪০ লাখ জনসাধাৰণে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ আন্দোলন কৰি আছে আৰু তেখেতে ইয়াত আনিছে যে "১১ নৱেম্বৰত কৃষক মুক্তিৰ গণ ধৰ্না, চৰকাৰৰ নতুন ভূমি নীতিত মাটিৰ পট্টাৰ পৰা বঞ্চিত হ'ব গুৱাহাটীৰ খিলঞ্জীয়া" মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ দায়বদ্ধ। পোন প্ৰথম বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে এই খিলঞ্জীয়া সকলক ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰিছে আৰু ১ লাখ অসমৰ খিলঞ্জীয়া জনগণক যি ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল তাৰ আধাৰত ইতিমধ্যে ৪৪ হাজাৰ আমাৰ প্ৰস্তুত হৈ গৈছে। সন্মানীয় উপায়ুক্ত সকলৰ কাৰ্য্যালয়ত আমাৰ ৰেকৰ্ডখিনি আছে। এই বিধান সভা শেষ হোৱাৰ কিছুদিন পিছতে আমাৰ সন্মানীয় বিধায়ক, মন্ত্ৰী তথা সাংসদ সকলে নিজৰ নিজৰ ক্ষেত্ৰত গৈ এই ভূমি পট্টা বিতৰণ কৰিবলৈ সক্ষম হ'ব। গুৱাহাটীৰ ক্ষেত্ৰত আমি সকলোৱে জানো যে ইয়াত মাটিকালি কিমান আছে। প্ৰায় ৪০ লাখ মানুহক মাটি প্ৰদান কৰিবলৈ আমাৰ প্ৰায় ৮৫ হেক্টৰ মাটি আছে। তাৰ আধাৰতে এক নীতি তৈয়াৰ কৰা হৈছে যে গ্ৰামাঞ্চলত যিসকল ভূমিহীন তেওঁলোকে এই মাটিখিনি খাই আছে কিন্তু তেওঁলোকক আমি মাটিৰ পট্টা দিব পৰা নাই। এই আধাৰতে চহৰ অঞ্চলত এক কঠা পাঁচ লেচা, গ্ৰামাঞ্চলত এক কঠা দহ লেচা আৰু গ্ৰামাঞ্চলৰ যিসকল ভূমিহীন খেতিয়ক আছে তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ৩০ বিঘা পৰ্য্যন্ত মাটি প্ৰদান কৰাৰ এক ব্যৱস্থা কৰা হৈছে। এই ভূমি নীতিৰ জৰিয়তে কৃষকৰ মাটি যধে মধে অধিগ্ৰহণ কৰিব নোৱাৰিব, কৃষকৰ কৃষি ভূমি সংৰক্ষিত থাকিব লাগিব, এই আটাইবিলাক দফা তাত সন্নিবিষ্ট হৈ আছে। তাৰোপৰি ১০০ বছৰ হ'লেও যিবিলাক সামাজিক অনুষ্ঠান যেনে সত্ৰ, নামঘৰ, দেৱালয়ৰ মাটি কোনোবাই বেদখল কৰি আছে সেইবিলাক উদ্ধাৰ কৰিবৰ কাৰণে আমি সন্মানীয় উপায়ুক্ত সকলক, চিভিল এচ ডি অ' সকলক এই ভূমি নীতিৰ আধাৰত এম্পাৱাৰ কৰা হৈছে। বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনে গুৱাহাটীত বসবাস কৰি থকা খিলঞ্জীয়া লোক সকলক ভূমি পট্টা প্ৰদানৰ কাৰণে কৈ আছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ বাধ্যবাধকতা বহুখিনি আছে। যেনে দীপৰ বিলৰ ওচৰত বহু সংখ্যক লোকে ঘৰ বনাই আছে, তেওঁলোককো যদি আমি পট্টা দিব বিচাৰো নিশ্চিতভাৱে তাত পক্ষীকুলৰ কাৰণে কি অৱস্থা হ'ব আমি সকলো বিদিত। আমাৰ সন্মানীয় বিধায়ক শ্ৰী অতুল বৰা ডাঙৰীয়াই কৈছে যে দিশপুৰ সমষ্টিটো প্ৰকৃতিৰ এক নদন-বদন ঠাই, সুন্দৰ পৰিবেশ। যেনে সোনাপুৰ, ডিগাৰু, পাহাৰীয়া অঞ্চল বিলাকত যদি আমি যধে-মধে কোনো ধৰণৰ আইন প্ৰনয়ণ নকৰাকৈ তাত আমি ভূমি দখল কৰিবলৈ দিওঁ বা কোনোবাই ঘৰ বনাই থাকিলে আমি পট্টা এলোট কৰি দিওঁ গতিকে এইবিলাক ক্ষেত্ৰত আমি প্ৰাকৃতিক পৰিবেশটো ৰাখিব লাগিব, এইবিলাক আমি অনুধাৱন কৰিব লাগিব আৰু নিশ্চয়কৈ পৰৱৰ্ত্তী সময়ত আমি এইবিলাক কথাৰ কি ধৰণে সমাধান সুত্ৰ উলিয়াব পাৰো তাৰ চৰ্চা কৰিম। এইক্ষেত্ৰত শ্ৰী অতুল বৰা ডাঙৰীয়াই কোৱাৰ দৰে অকল ৪ জন বিধায়কক লৈয়েই নহয়, সমগ্ৰ অসমৰ ১২৬ জন সন্মানীয় বিধায়কক আস্থাত লৈ আমি এই কাম কৰিব লাগিবআৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবিলাক কাম কৰি গৈ আছে। যদি আপোনালোকে বিচাৰে যে ভূমি নীতিৰ ওপৰত আকৌ চৰ্চা হ'ব লাগে নিশ্চিতভাৱে এই বিষয়টো অধ্যক্ষ মহোদয়ৰ ইনিচিয়েটিভ আনক। পৰৱৰ্তী সময়ত আমাৰ session চলি থাকিব। দৰকাৰ হ'লে Budget session ত হ'লেও আনক আমি সকলোৱে অংশগ্ৰহণ কৰিম বুলি কওঁ। আমি বিতংভাৱে চাই ল'ব পাৰিম। লগতে আৰু এটা কথা হৰি শংকৰ ব্ৰহ্ম দেৱৰ যিখন

প্ৰতিবেদন সেইখন পৃষ্ঠাই পৃষ্ঠাই অধ্যয়ণ কৰিহে এই ভূমিনীতি তৈয়াৰ কৰা হৈছে। সেইবাবে মই আপোনালোকক জনালো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই পবিত্ৰ সদনত ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ বলিষ্ঠ নেতৃত্বৰ বাবে ৩০ বছৰৰ পিছত হলেওঁ আমি এখন ভূমি নীতি পা বলৈ সক্ষম হৈছো। সৰুতে ইংৰাজীত পঢ়িছিলো 'pending decission is better than wrong decission' ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** অলপ চমুকৈ ক'ব। যিহেতু ভূমিনীতিৰ ওপৰত ক'বলৈ লৈছে সেইবাবে মই আপোনাক ক'বলৈ দিছো।

**শ্ৰী ৰমাকান্ত দেউৰী,মৰিগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভূমি সম্পৰ্কত কথাটো ওলোৱাত মই কথাটো ক'বলৈ বাধ্য হৈছো। ভূমিনীতিৰ ওপৰত ক'বলৈ হ'লে এইটো এটা ডাঙৰ প্ৰশ্ন। ভূমিনীতি সংশোধন, এই বিষয়টো সদনত আজিলৈকে যিমান আলোচনা হৈছে , এই ভূমি ন'হলে মানুহ কেতিয়াও জীয়াই থাকিব নোৱাৰে। যিখন অসমত ভূমিপুত্ৰ সকল আজি ভূমিহীন। ভূমিনীতি সংশোধন কৰাৰ আগতে অধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰিছো আজি অসমত এটা জলন্ত ব্যক্তিগত সমস্যা হৈছে ভূমি। এতিয়া খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ হাতত মাটি নাই, মাটি আছে সন্দেহযুক্ত বিদেশী বা বাংলাদেশীৰ হাতত, এইটো জলন্ত প্ৰমান মোৰ নিজৰ অঞ্চলত। তাৰ লগতে ১২৬ টা সমষ্টিত কিমান মাটি বেদখল কৰি আছে সেইটো উলিয়াব লাগে। দ্বিতীয় প্ৰশ্নটো হ'ল- ওচৰ চুবুৰীয়া ৰাজ্য মেঘালয়, অৰুণাচলৰ যি ভূমিনীতি আইন, এই ভূমিনীতি আইনৰ লগত আমাৰ অসমৰ ভূমিনীতি আইন সংশোধন কৰিব লাগে। বহু সন্দেহযুক্ত বিদেশী নাগৰিকে আমাৰ ভূমিপুত্ৰ সকলৰ মাটি ক্ৰয় কৰাত আজি ভূমিপুত্ৰ সকলৰ হাতৰ মাটি হেৰুৱালে। যুগ-যুগ ধৰি সেই ভূমিপুত্ৰ সকলৰ ভূমি নাই। আজি যদি তেওঁলোকে এটা Loan ল'বলগীয়া হয়, সেই ভূমিপুত্ৰৰ হাতত আজি মাটিৰ অভাৱ। এই কথাটো ভালদৰে পবিত্ৰ সদনত আলোচনা হ'ব লাগে আৰু ভূমিনীতিটো সোনকালে মিমাংশা হ'ব লাগে। মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰী যিহেতু ইয়াত উপস্থিত আছে তেখেত সকলক বিষয়টো মই অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া অতুল বৰা ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, দিছপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ কথাটো মই সুকীয়াকৈ ক'ব বিচাৰিছো যে গুৱাহাটীৰ মাটিৰ মূল্য যিটো হাৰত বৃদ্ধি হৈছে , সেই অনুপাতে অসমৰ অন্য ঠাইত বৃদ্ধি হোৱা নাই। এতিয়া বৃহৎ পুঁজিপতি সকলে চিলিং আইন প্ৰত্যাহাৰ কৰাৰ পিছত যিমান মাটি কিনি থৈছে তেওঁলোকে আৰু বেলেগ ব্যৱসায় কৰিব নালাগে। কেৱল মাটিৰ ব্যৱসায় কৰিছে। মোৰ মতে বৃহৎ পুঁজিপতি সকলৰ পৰা মাটি কাঢ়ি আনিব লাগে। দৰকাৰ হ'লে কাঢ়ি অনাৰ বাবে এখন আইন ব্যৱস্থা কৰিব লাগে এই বিধান সভাতে। লগতে মই ভাৱো যে এই ক্ষেত্ৰত অকল মই যুজি আছো Assam Star Cement ৰ বিৰুদ্ধে আৰু আমাচং বনাঞ্চল ৰক্ষাৰ ক্ষেত্ৰত। সৃষ্টি নগৰ তহিলং কৰি পেলাইছে, ১৫০০ টা পশু মাৰি পেলাইছে। পুখুৰী পুতি পেলাইছে। ব্ৰহ্মপুত্ৰত মাটি পেলাই গোটেই তহিলং কৰি পেলাইছে হাজাৰ বিঘা মাটি। কেই বিঘামান মাটি ম্যাদি পট্টা মাটিৰ নাম লৈ চাৰিওফালে চৰকাৰী মাটি বিলাক শেষ কৰি পেলাইছে। এতিয়া এই বিষয় বিলাকত মাত মাতিব লাগে। Assembly ত সকলো বিধায়কে মিলি যুঁজিব লাগিব। পবিতৰা আৰু নাৰেঙ্গীলৈ যাব লগা হ'লে ৩২ কিলমিটাৰ যাব লাগে। কিন্তু সেইফালেদি ১৫ কিলমিটাৰ গলেই ৰাস্তাত গৰু চৰাদি গড় চৰি আছে। মানুহে ধুনীয়াকৈ enjoy কৰিব পাৰিলেহেঁতেন আমাৰ সহায় সহযোগিতা থকা হ'লে। কিন্তু তাতে Star Cement য়ে কেনেকৈ বৰবাদ কৰি দিছে। মোৰ সৈতে Assembly ৰ পৰা

সমিতি গৈ visit কৰিব লাগে। আজি আমাৰ ৰাজহ মন্ত্ৰী ভৰেশ কলিতা ডাঙৰীয়াই কৈছে অসমৰ ভিতৰত খুৱ ধুনীয়া দিছপুৰ সমষ্টি। এই ধুনীয়া দিছপুৰ সমষ্টিটোক শেষ কৰি পেলাইছে Star Cement য়ে আৰু মই PWD Minister লৈ চিঠি দিছো অলপ চকু দিয়ক। আমাৰ Star Cement ক অন্য ফালেদি নিয়ক য'ত ৰাস্তাই লোড ল'ব পাৰে। যিটো ৰাস্তাই লোড ল'ব পাৰে ১০ টন তাত ১৬ টন ২০ টন বালি কলং নদীৰ পৰা আনি সেইবিলাক ৰাস্তা নষ্ট কৰিছে। মই যদি ২০১৬ চনত বিধায়ক নহলোহেঁতেন তেনেহলে আজিলৈকে ৫ টা Cement Factory দিছপুৰ সমষ্টিত হলহেঁতেন আৰু ডিমৰীয়াত হলহেঁতেন। লগতে যিখন গমাৰী বিল ৰজাৰ দিনৰ বিল, এই বিলখন Star Cement য়ে পুতি পেলাইছে। পালহালী বিল নষ্ট হৈ গৈছে। ইয়াত বহুত বিল আছিল। ইয়াত লালিলাং এটা বিহু আছে। যিটো অসমত নাই। ইয়াৰ পৰাই উৎপত্তি হৈছে লালিলাং। আগতে বহাগ বিহুত, মাঘ বিহুত সেইবোৰ মানুহে নাচি বাগি ফুৰিছিল। এতিয়া সেইবোৰ ধূলিময় হৈ গৈছে। মই এই বিষয়টো এই কাৰণে কৈছো যে অসমৰ হৃদপিণ্ড হৈছে এই গুৱাহাটী তাতে আকৌ গুৱাহাটীৰ দিছপুৰ সমষ্টি। ৰাজধানী সমষ্টিটোৰ মই বিধায়ক। মই অকলে অকলে যুঁজ কৰি আছো আপোনালোকে দেখিছে। আপোনালোকে এই বিষয়ত এটা Resolution ল'বলৈ মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো আৰু Star Cement ক ইয়াৰ পৰা প্ৰত্যাহাৰ কৰক লগতে পবিতৰালৈ যোৱা ৰাস্তাটোত যাতে এটা পৰিৱেশ সৃষ্টি হয়।

**মাননীয় অধ্যক্ষ ঃ** এটা ভাল কথা ওলাইছে। আজি ভূমিনীতিৰ ওপৰত আলোচনা হৈছে। বিষয়টো বহুদিনৰ। মই এখন কিতাপ পঢ়ি আছো। কালিলৈ কিতাপখন Inauguration হ'ব। তাত মই দেখিছো ১৯২২-২৪ চনৰ পৰা আমাৰ মাটিবোৰ কেনেকৈ গৈ আছে। আমাৰ Assembly Proceeding ত এজন বিধায়ক ডাঙৰীয়াই লিখিছে। মই পঢ়ি আচৰিত হৈছো। এইটো আজিৰ ঘটনা নহয়। আপোনালোকে details discussion হোৱাটো বিচাৰিছে। গতিকে আমি নিয়মৰ মাজেৰে কৰিব লাগিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল, যে নতুন ভূমিনীতিৰ এটা report দাখিল কৰিলে, এই report টোয়ে আমাৰ অনাগত দিনত খিলঞ্জীয়া মানুহখিনিক কিভাৱে সুৰক্ষা দিব পাৰে তাৰ ওপৰত এটা discussion হোৱাটো ভাল।

**মাননীয় অধ্যক্ষ ঃ** Report টো অহাকালিলৈ দাখিল হ'ব চাগে। তাৰ পিছত আপুনি কোৱাটোৱেই হ'ব। নিয়মৰ মাজেদি আমি যাব লাগিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা আমাৰ বিধায়ক অতুল বৰা ডাঙৰীয়াই আৰু মাননীয় মন্ত্ৰী মহোদয়ে কৈছে wet land বা আমাৰ বন্যপ্ৰাণী অভয়াৰণ্য দ্বীপৰ বিলৰ কথা এইবিলাক সংৰক্ষণ কৰক। ইয়াত আমাৰ সম্পূৰ্ণ সমৰ্থন আছে। কিন্তু চাৰ, এটা কথাআমাৰ যিটো আমচিঙৰ কথা কৈ আছে এই আমচিঙক যদি সুৰক্ষিত কৰিব লাগে তেতিয়াহলে Star Cement তাৰ পৰা উঠাব লাগিব। তেতিয়াহলে সংৰক্ষিত হ'ব। আজি Wet Land ৰ কথা উঠিছে। যদি Wet Land বচাব লাগে, জিঞ্জাৰ হোটেল উঠাব লাগিব। এতিয়া আমাৰ চকু পৰিছে সৰু সৰু মানুহৰ ওপৰত। এই সৰু সৰু মানুহবোৰক eviction কৰি পেপাৰত ডাঙৰকৈ উঠাই দিব যেএইবিলাক Wet Land ত আমি এনেধৰণে বেদখল উচ্ছেদ কৰিছো। বৃহৎ পুঁজিপতিয়ে বিভিন্ন অঞ্চল আৰু পাহাৰ অঞ্চলতো আজি মাটি দখল কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** Kindly চমু কৰক। We can't allowed discussion. আপোনাৰ centiment টো মই বুজিছো। গতিকে বেছি দীঘলীয়া নকৰিব। মই বিষয়টো গুৰুত্বপূৰ্ণ কাৰণে

লৈছো। Special discussion কেতিয়াৰা কৰিলে ভাল হ'ব। ধন্যবাদ।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই খালী এটা সংযোজন কৰিব বিচাৰিছো এই প্ৰশ্নটোৰ লগতে যে আমাৰ যিবিলাক চৰ এৰিয়া, নদীয়ে এৰা যিখিনি মাটি জৰীপ কৰা বিভাগৰ ফালৰ পৰা জৰীপ কৰা প্ৰয়োজন আছে। মালিকবিহীন হৈ আছে। সেই মাটিখিনি চৰকাৰে যিহেতু জৰীপ কৰা নাই, চৰকাৰৰ ঘৰত অহা নাই তাতে সন্দেহযুক্ত বাংলাদেশীয়ে দখল কৰিছে আৰু জৰীপ কৰোতে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিবলৈ ওলাইছো যে DLO Office ৰ পৰা জৰীপ কৰিবলৈ যায়, কিন্তু যি পোষ্ট পুতিব লাগে পোষ্টখিনি যোগান নধৰাৰ কাৰণে জৰীপ কৰাত তাত কোনো মূল্য নোহোৱা হৈছে। গতিকে এই ক্ষেত্ৰত সোনকালে এটা ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, এই ক্ষেত্ৰত আপুনি এটা brief উত্তৰ দিয়ক।

**শ্ৰী ভৰেশ কলিতা (ৰাজহ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই চৰ অঞ্চলৰ মাটি জৰীপ কৰা আৰু পিলাৰৰ ব্যৱস্থা কৰাৰ সম্পৰ্কত যি ক'লে সেই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে এই ব্যৱস্থা কৰাৰ আমাৰ প্ৰয়োজন আছে। মই এটা উদাহৰণ দিব বিচাৰিছো, দৰং জিলাৰ কুৰুৱা অঞ্চলত যিদিনা আমাৰ বিভাগে অবৈধ মাটি উচ্ছেদ কৰে, তাৰ পিছৰ দিনাই লোকে তাত কবিৰ খেতি কৰে। গতিকে এই ক্ষেত্ৰত এক সুন্দৰ চৰ্চা হোৱাৰ প্ৰয়োজন আছে কিয়নো উচ্ছেদ কৰাৰ পিছত এই মাটিখিনি Social Forestry ক গতাই তাত plantation কৰাৰ ব্যৱস্থা কৰিব লাগিব। Plantation কৰি যদি আমি মাটিখিনি ৰাখিব নোৱাৰো তেন্তে তাত আকৌ বেদখল হ'ব। সেয়েহে ইয়াৰ ৰক্ষাৰ বাবে দীঘলীয়া চৰ্চা হ'ব লাগে যাৰ দ্বাৰা আমাৰ মাটি আমাৰ খিলঞ্জীয়াৰ হাততেই থাকে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া, প্ৰদীপ হাজৰিকা আৰু পবিন্দ্ৰ ডেকা ডাঙৰীয়াই একে বিষয়ৰ ওপৰত দুখন Notice দিছিল। সেয়েহে মই দুয়োখন একেলগ কৰি দিছো। বিষয়টো 'অসমীয়া প্ৰতিদিন' কাকত আৰু 'দৈনিক জনমভূমি' কাকতত প্ৰকাশ হৈছিল। গতিকে মই আপোনালোকক সেই বাতৰিটোৰ সম্পৰ্কত ক'বলৈ অনুৰোধ কৰিলো।

**শ্ৰী প্ৰদীপ হাজৰিকা ( আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসমীয়া প্ৰতিদিন' কাকত আৰু 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত হোৱা 'গোৱালপাৰাত জেহাদীক মাৰাথন জেৰা। বাংলাদেশৰ ISIS নেতাৰে সঘন যোগাযোগ আছিল ৰঞ্জিত ইছলামৰ'- বিষয়টো সদনত উপস্থাপন কৰিব লৈছো।

অধ্যক্ষ মহোদয়, ISIS হৈছে সমগ্ৰ বিশ্বত ত্ৰাস সৃষ্টি কৰা তথা বিশ্বত ইছলামিক ৰাজ্যৰ পোষকতা কৰা এটা জেহাদী সংগঠন। সমগ্ৰ পৃথিৱীত এই সংগঠনটোৱে যি ত্ৰাসৰ সৃষ্টি কৰিছে তাক কোনোৱে নেদেখাকৈ থকা নাই। এই সংঠনটো বিশ্বত বিপ্লৱ কৰা সংগঠন নহয় বৰঞ্চ নৰহত্যা কৰি সংহাৰৰ সৃষ্টি কৰা সংগঠনহে। ইৰাকৰ উত্তৰ দিশত আৰু ছিৰিয়া দেশত এই সংগঠনটোৱে সাংঘাটিক কাম কৰি আছে। Middle East ৰ এই সংগঠনটোৱে যিধৰণে নৰহত্যা কৰিছে সেই সমগ্ৰ ঘটনা ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে যিবোৰ দেখিয়েই মানুহ ত্ৰাসিত হৈছে। সেয়েহে, বিভিন্ন সময়ত আমাৰ চিন্তা হয় যে, এনে ধৰণৰ ঘটনাবোৰ কেতিয়াবা অন্য ঠাইলৈ বিয়পিব পাৰে নেকি! ২০১৪ চনৰ পৰা উত্তৰ-পূৰ্বাঞ্চলতো লাহে লাহে এই জেহাদী সংগঠনবোৰে Sleeper Cell গঠন কৰি অনৈতিক কামত আগবাঢ়িছে। আপোনালোকে জানে যে, উত্তৰ প্ৰদেশত কামাৰুজ জামান নামৰ জেহাদী সদস্য এজনক গ্ৰেপ্তাৰ কৰা হৈছিল। তেতিয়া আমি ভাৰিছিলো হয়তো এজন মান সদস্য জেহাদী সংগঠনৰ লগত জড়িত হৈ আছে যি গৰাকী ব্যক্তিক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে।

কিন্তু অধ্যক্ষ মহোদয়, এই জেহাদী সন্ত্ৰাস কমাৰ বিপৰীতে লাহে লাহে বাঢ়ি যোৱাহে পৰিলক্ষিত হৈছে। এই জেহাদী সংগঠনৰ সদাস্যসকলে বাংলাদেশত থাকি তাত ঘাটি পাতি উত্তৰ-পূৰ্বাঞ্চলৰ ইছলামিক অঞ্চল সমূহত network বহাইছে। এই সম্পৰ্কত শেহতীয়া সংযোজনটো আছিল যে, বাংলাদেশৰ ISIS নেতাৰে সঘন যোগাযোগ আছিল ৰঞ্জিৎ ইছলাম, মুকাদিৰ ইছলাম আৰু লুইত জমিল জামানৰ। ইতিমধ্যে এই তিনিজনলোকক গোৱালপাৰাৰ কৃষ্ণাই অঞ্চলৰ মধুবন লজৰ ১০২ নং কোঠাৰ পৰা এই লোকসকলক সাংঘাটিক ধৰণে গ্ৰেপ্তাৰ কৰা হৈছে। এওঁলোকে ছ'চিয়েল মিডিয়াৰ জৰিয়তে দিল্লীত যি কথা-বতৰা পাতিছিল, সেই কথা-বতৰাৰ পৰা তেওঁলোকক detect কৰি দিল্লী আৰক্ষীয়ে অসম আৰক্ষীক লগত লৈ গোৱালপাৰাৰ মধুবন লজৰ পৰা গ্ৰেপ্তাৰ কৰিছিল।

অধ্যক্ষ মহোদয়, এই সংগঠনবোৰে অসমৰ ইছলামিক অঞ্চলবোৰত Sleeper Cell গঠন কৰাৰ বাবে উপযুক্ত ঠাই হিচাপে গঢ়ি লৈছে। আগতে, মুজাহিদ্দীনৰ সদস্যসকল আহিছিল আৰু এতিয়া বিশ্বত ত্ৰাস সৃষ্টি কৰা ISIS নামৰ সংগঠন ইয়াত গঢ় লৈ উঠিছে। অসমৰ ইছলামিক অঞ্চলত বাস কৰা দুখীয়া ল'ৰাবোৰৰ লগত এই সংগঠনে যোগাযোগ কৰিছে। ফলস্বৰূপে, আগতে মাছ বিক্ৰী কৰা, ই-ৰিক্সা চলোৱা, আধাৰ কাৰ্ড বনাই দিয়া ইত্যাদি কামত ব্যস্ত থকা ল'ৰাজন বৰ্তমান জেহাদী হিচাপে গ্ৰেপ্তাৰ হৈছে। গতিকে, অধ্যক্ষ মহোদয়, ২৭ নৱেম্বৰত প্ৰকাশিত গোটেই কেইখন বাতৰি কাকতৰ শিৰোনামাত এই বাতৰিটোৱে স্থান পাইছে আৰু ই গোটেই ৰাজ্যৰ বাবে এক চিন্তনীয় বিষয় হৈ পৰিছে। অধ্যক্ষ মহোদয়, এই সংগঠনৰ সদস্য অকল অসমৰ কোণে কোণে সোমাই পৰিছে তেনে নহয়, ই উত্তৰ- পূৰ্বাঞ্চলৰ অন্য ৰাজ্য যেনে মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, আদি ৰাজ্যতো ঘাটি পতাৰ ব্যৱস্থা কৰিছে। সেয়েহে, অধ্যক্ষ মহোদয়, অসমৰ অন্য সমস্যাৰ লগত ইয়াক নতুন সমস্যা হিচাপে সংযোজন কৰাৰ প্ৰয়োজন হৈছে। বিভিন্ন সময়ত বংগীয় মূলৰ লক্ষ্য লক্ষ্য মানুহ উত্তৰ- পূৰ্বাঞ্চলত আহি যি সমস্যাৰ সৃষ্টি কৰিছে, তাৰ সমাধান আমি আজিলৈকে কৰিব পৰা নাই আৰু আমাৰ বিভাগবোৰেও এই সমস্যাবোৰ দূৰ কৰা হেতুকে লাগি থাকিব লগীয়া হৈছে। আজি এনে এটা পৰিস্থিতিত বিশ্বত্ৰাস সৃষ্টি কৰা সংগঠন আমাৰ মাজত আহি পৰিছে। আজিৰ এই পৰিৱেশত কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে তাৰ বাবে চৰকাৰৰ নিশ্চয় চকু খোল খাইছে। লগতে, মই আশা ৰাখিছো এনেধৰণৰ সংগঠনবোৰ কোনো কাৰণত যাতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কোনো ঠাইতে বিয়পিব নোৱাৰে তাৰ বাবে যাতে চৰকাৰৰ তৰফৰ পৰা বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। ধন্যবাদ।

**माननीয় অধ্যক্ষঃ** ডেকা ডাঙৰীয়া, আপুনি কিছু add কৰিব নেকি ?

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয় শূন্যকালীন ঘণ্টাত উত্থাপন কৰিব বিচাৰিছিলো, সেইটো ইতিমধ্যে মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই সুস্পষ্ট ভাৱে আৰু সুন্দৰকৈ সদনত বৰ্ণনা কৰিছে। এই বিষয়টো আমাৰ সকলোৰে বাবে উদ্বিগ্নৰ বিষয়। সমগ্ৰ বিশ্বতে এই ISIS সংগঠনটোৱে এক জটিল পৰিৱেশৰ সৃষ্টি কৰিছে আৰু নৰহত্যা কৰাটো তেওঁলোকৰ এটা প্ৰধান পেছাত পৰিণত হৈছে। এই মৌলবাদী উগ্ৰপন্থীৰ সংগঠনটোৱে এতিয়া আমাৰ দৰে এখন শান্তিপূৰ্ণ ৰাজ্যত প্ৰৱেশ কৰাটো অতি উদ্বিগ্নৰ বিষয় বুলি সকলোৱে নিশ্চয় অনুভৱ কৰিব। আমাৰ সৌভাগ্য যে, দিল্লী পুলিচৰ সহযোগত অসম পুলিচে ততালিকে এই দুৰ্ধৰ্ষ মৌলবাদী উগ্ৰপন্থী কেইজনক কৰায়ত্ব কৰিবলৈ সক্ষম হ'ল। এতিয়া আমাৰ সাৱধান হ'বৰ হ'ল। মই অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি অনুৰোধ কৰিছো যাতে আৰু অধিক এনেধৰণৰ মৌলবাদী উগ্ৰপন্থী ইয়াত প্ৰৱেশ কৰিব নোৱাৰে তাৰ কাৰণে অতি সোনকালে বিহীত ব্যৱস্থা ল'ব লাগে আৰু যিসকল বিস্ফোৰক সামগ্ৰীসহ ধৰা পৰিছে সেইসকলৰ যাতে উপযুক্ত শাস্তি হয়। তাৰ কাৰণে পানী

নসৰকা FIR পুলিচ বিভাগে দাখিল কৰিব লাগে। এইখিনি কথাকে মই উত্থাপন কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলোৱে এই বিষয়টো লৈ Concern হয়। এই বিষয়টোৰ ওপৰত আপোনালোক সকলোৱে কৈছে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই এতিয়া ইয়াৰ উত্তৰ দিব। কিন্তু মই ভাৱো যে এই সদনে অসম পুলিচ আৰু দিল্লী পুলিচ বিভাগক Congratulation কৰা ভাল হ'ব কাৰণ তেওঁলোকে Nabbed কৰি এই মানুহ কেইজনক আনিবলৈ সক্ষম হ'ল। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোলৈ যোৱাৰ আগতে মই আপোনাক এটা কথা ক'বলৈ বিচাৰিছো যে অসম বিধান সভাৰ যিটো প্ৰক্ৰিয়া আৰু নিয়মৰ অধীনত বিধান সভা আৰম্ভ হোৱাৰ আগ দিনাখন আপুনি সদায় এখন সৰ্ব্বদলীয় সমিতিৰ মিটিং পাতে । সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে মইয়ো সেই সভাত আহিছিলো। সেইদিনাখন আপুনি সকলো দলৰ সদস্যসকলক এটা অনুৰোধ কৰিছিল যে বিধান সভাৰ সকলোৱে এটা নিয়ম-নীতিৰ মাজত কাম কৰা উচিত আৰু সেইকাৰণে সকলো দলৰ এটা Consensus হৈছিল। কংগ্ৰেচ, এ আই ইউ ডি এফ আদি সকলো দলৰে সদস্য তাত উপস্থিত আছিল। সেই Consensus টো হৈছিল যে আমি নীতি-নিয়মৰ ভিত্তিত কামখিনি কৰিম আৰু আমি সকলোৱে আপোনাৰ সভাকক্ষত এই Consensus টোত স্বাক্ষৰ কৰিছিলো। কিন্তু Consensus টোত স্বাক্ষৰ কৰাৰ পিছত আজি সেই চুক্তিটো ভাঙি অসম বিধান সভাৰ বাহিৰত যি কাৰ্য্য কৰা হ'ল সেইটো অতি দুৰ্ভাগ্যজনক। মই ইয়াৰ অতি নিন্দা কৰিছো। কাৰণ এই চুক্তিটোত সকলোৱে স্বাক্ষৰ কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** I am completely agree with you.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৮৫ চনৰ পৰা ভগৱান আৰু আপোনালোক সকলোৰে কৃপাত এই বিধান সভাত আছো আৰু মোৰ জীৱনতো এইবোৰ অভিজ্ঞতা আছে। আপুনি আজি অতি Liberal অধ্যক্ষ হিচাপে কাম কৰিছে। মই যেতিয়া বিৰোধী দলৰ দলপতি হিচাপে আছিলো, তেতিয়া আমাক Reference থকা কাগজ এখনো এই সদনত পঢ়িবলৈ অনুমতি দিয়া হোৱা নাছিল। কিন্তু বৰ্তমান সময়ত আপোনাক কাগজ দেখুওৱাব পৰা হৈছে। মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী আছিল। তেওঁ নাৰ্জাৰী ডাঙৰীয়াৰ কাষৰ আসনত বহিছিল। এবাৰ তেওঁ কিবা এটা বিষয়ৰ Reference ত কথা কওঁতে তেওঁক কেনেকুৱা ধৰণৰ ব্যৱহাৰ কৰিছিল, তেওঁ নিজেও ভালদৰে জানে। অকল সেইটোৱে নহয়, আনকি ১৯৯১ চনত যেতিয়া এই বিধান সভাত কিবা এটা বিষয় লৈ আলোচনা হৈছিল, আমি সেই সময়ত অসম গণ পৰিষদ বিৰোধী দল হিচাপে আছিলো। সেই আলোচনাত এনেকুৱা হৈছিল যে অসম বিধান সভাত, Assam Battalion ক সোমাই দি আমাৰ সদস্য সকলক হাতেৰে দাঙি ধৰিছিল। আমাৰ মাননীয় মন্ত্ৰী পৰিমল শুক্ল বৈদ্য তেতিয়া ভাৰতীয় জনতা পাৰ্টীৰ বিধায়ক আছিল। আমাৰ প্ৰয়াত বিধায়ক তেখেতৰ নাম মই উল্লেখ কৰিব বিচৰা নাই । কিন্তু তেওঁ পৰিমল শুক্ল বৈদ্য ডাঙৰীয়াক মাৰিবলৈ খেদি গৈছিল আৰু তেখেতক মই ৰক্ষা কৰিছিলো। সেই বিধায়ক জন তেতিয়াৰ শাসকীয় দলৰ সদস্য আছিল আৰু সেই তেতিয়াৰ শাসকীয় দলৰ সদস্য সকলে বৰ্তমান নীতিৰ কথা কয়, "জয় আই অসম" কয়। তেওঁলোকে ৮৫৫ জন লোকক মাৰি শ্বহীদ কৰিলে। প্ৰকৃততে "জয় আই অসম" কোৱাৰ নৈতিক অধিকাৰ তেওঁলোকৰ নাই। সেই অধিকাৰ ভাৰতীয় জনতা পাৰ্টীৰহে আছে। কাৰণ স্বাধীনতাৰ পিছত, আজিৰ পৰা সাত

দিন আগতে আমাৰ অসমে Big Economic Improve State আৰু Big Economic Improve Over all State হিচাপে গোটেই ভাৰতবৰ্ষৰ ভিতৰত দুটা প্ৰাইজ সকলো ক্ষেত্ৰতে উন্নয়নৰ বাবে অসমে পাইছে। আজি মহাৰাষ্ট্ৰই এটা আৰু ৰাজস্থানে এটাও প্ৰাইজ পোৱা নাই। কিন্তু আমাৰ অসমে দুটা প্ৰাইজ পাইছে। গতিকে আমি "জয় আই অসম" ক'ব পাৰো। কাৰণ আমি অসমৰ বিকাশ কৰিছো। তেওঁলোকে অসম ধ্বংস কৰিছে । তাৰোপৰিও আপোনাৰ নীতিও উলংঘন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই এইটো ক'ব বিচৰা নাই যে আপুনি পুলিচ, বেটেলিয়ান আনি তেওঁলোকক ইয়াৰ পৰা উলিয়াই দিয়ক। কিন্তু তেওঁলোকে যেতিয়া লিখিত চুক্তিত চহী কৰে সেইটো উলংঘন কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই বিষয়ে আৰু বেচি ক'ব নালাগে। আমি ইয়াৰ ওপৰত সদনৰ বাহিৰত আলোচনা কৰিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিধান সভাত আঘাতপ্ৰাপ্ত ব্যক্তি। মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক সেই সময়ত এই সদনত কি ব্যৱহাৰ কৰিছিল তাৰে সাক্ষী তেওঁ নিজেই ইয়াত আছে।

**মাননীয় অধ্যক্ষ ঃ** এইবোৰ এতিয়া অতীত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অতীত বুলি ক'লে নহ'ব। আপুনি যদি Past is dust হিচাপে ভাৱে So,we should throw it. But it is not that. Present টো Past ৰ লগত Relate কৰিলেহে Balence হ'ব। গতিকে "জয় আই অসম" কোৱাৰ অধিকাৰ কেৱল ভাৰতীয় জনতা পাৰ্টীৰহে আছে। তাৰ বাহিৰে কোনো দলৰ অধিকাৰ নাই। আজি আই এচ আইৰ ওপৰত অসম বিধান সভাত যিধৰণে কথা উত্থাপন হৈছে, সেই সময়ত আজিৰ নিচিনাকৈ ইমান বাতৰি কাকত অসমত নাছিল। দৈনিক অসম, জনমভূমি, অগ্ৰদূত আদি কেইখনমান বাতৰি কাকত আছিল। মই তেতিয়া অসম গণ পৰিষদত আছিলো। মই ইয়াত প্ৰশ্ন এটা উত্থাপন কৰিছিলো আই এচ আইৰ ওপৰত আৰু পিচদিনা দৈনিক অসমত এই বিষয়ত ডাঙৰকৈ প্ৰচাৰ হৈছিল। আজিও সেই বাতৰিটো বিচাৰিলে দৈনিক অসমত পাব আৰু সেইটো হেড লাইন হিচাপে প্ৰকাশ হৈছিল যে অসমত ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈকে আই এচ আইৰ কাৰ্য্যকলাপ কেনেকৈ চলিছিল। এই বিষয়টো মইয়ে উত্থাপন কৰিছিলো। তাৰোপৰিও আৰু এটা ডাঙৰ কথা হ'ল যে মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া মুখ্য মন্ত্ৰী থকাৰ সময়ত ১৯৯৮ চনত তিনি জন আই এচ আইৰ সদস্য ধৰা হৈছিল। সেই সময়ত অসমৰ সুমন্ত ডি জি পি আছিল। তেওঁলোকক জেলত ৰখা হৈছিল। কিন্তু ২০০১ চনত যেতিয়া কংগ্ৰেচ দল শাসনলৈ আহিল, সেই তিনিজন আই এচ আইৰ সদস্যক বিনা চৰ্ত্তে জেলৰ পৰা মুকলি কৰি দিয়া হ'ল। মুকলি হোৱাৰ পিছত সাংবাদিক সকলে তেওঁলোকক যেতিয়া সুধিছিল যে তে ওঁলোক যদিও পাকিস্তানৰ লোক, তেওঁলোকে কিয় বাংলাদেশেৰে আহিলে ? তেতিয়া তেওঁলোকে ক'লে যে তেওঁলোক যদিও পাকিস্তানী লোক কিন্তু পাকিস্তানৰ বোৰ্ডাৰটো অতি কটকটীয়া, সেয়েহে সেই ফালেৰে আহিব নোৱাৰি। সেই কাৰণে তেওঁলোকে বাংলাদেশ হৈ আহিছে। সেই তিনিজনৰ ভিতৰত এজন অন্ধ মানুহো আছিল। সেই মানুহজনে কৈছিল যে তেওঁ অন্ধ হোৱাৰ স্বত্তেও তেওঁক ইমান দিন জেলত ৰাখিলে। সেই মানুহজনে সেই সময়ৰ মহন্ত ডাঙৰীয়াৰ চৰকাৰক ধ্বংস হোৱাৰ বাবে অভিশাপ দিছিল। সেই অন্ধ মানুহজনে অন্ধ হোৱা স্বত্তেও অসমক ধ্বংস কৰিবলৈ পৰিকল্পনা কৰিছিল আৰু সেই আই এচ আইৰ সদস্যক এৰি দিয়া কংগ্ৰেছ চৰকাৰে আজি "জয় আই অসম"ৰ শ্লোগান দিয়ে আৰু আমি কিয়

সেইটো মানি লম ? আজি ইয়াত কংগ্ৰেছ দল থকা হ'লে মই তথ্য সহকাৰে তেওঁলোকক দেখুৱাই দিলোহেঁতেন যে কেনেকৈ কংগ্ৰেছে অসম ধ্বংস কৰিছে। এই কথাবিলাকৰ এই বিধান সভাত ৰেকৰ্ড থাকিব লাগে যে কংগ্ৰেছে কেনেকৈ আই এচ আইৰ সদস্যক এৰি দি সন্ত্ৰাসবাদক অসমত প্ৰশ্ৰয় দিছিল। মহন্ত ডাঙৰীয়াই ধৰা তিনিজন আই এচ আই এজেণ্টক বিনা চৰ্ত্তে এৰি দি অসমত সন্ত্ৰাসবাদৰ পথ কংগ্ৰেছে মুকলি কৰি দিছিল। এইবোৰ কথাও ৰেকৰ্ডত থাকিব লাগে। ১৯৯১ চনত এইখিনি যেতিয়া হৈছিল সেইবোৰ কথাও অসম বিধান সভাৰ ৰেকৰ্ডত থাকিব লাগে। কংগ্ৰেছৰ আই এচ আই, জেহাদী আদি সন্ত্ৰাসবাদীৰ লগত তেওঁলোকৰ ভোটৰ স্বাৰ্থত যিটো ঘৰুৱা সম্পৰ্ক, মিলা-প্ৰীতি আছে, সেই বিষয়ে এই বিধান সভাত পুনৰ উত্থাপন কৰিব লাগে। মই আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে এই সদনৰ হৈ অসম পুলিচক ধন্যবাদ জনাইছো যে অসম পুলিচে ইমান ডাঙৰ দুঃসাহসিক কাম এটা কৰিছে। মই আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে, এই সদনৰ হৈ অসমৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াক ধন্যবাদ জনাইছো। Because of his bold leadership Assam Police has got a very very success story. এইটো এটা অসম পুলিচৰ অতি ডাঙৰ সফলতা। অকল সিমানেই নহয়, জম্মু আৰু কাশ্মীৰৰ পৰা সেই দিনা অসম পুলিছে গৈ আমাৰ ইয়াৰ পৰা কিডনেপ কৰি লৈ যোৱা মানুহ উদ্ধাৰ কৰি আনিছে। বিহাৰৰ গাওঁৰ পৰা অসম পুলিছে গৈ কোনোবা মাফিয়াক ধৰি লৈ আহিছে। অসম পুলিছে দিনে ৰাতিয়ে ইমান Success story কৰি আছে। সেয়েহে আমি অসম পুলিচকো appreciate কৰিব লাগে। গতিকে অসম পুলিছৰ এইবিলাক এটা Success story কিন্তু কোনোবাই কৈছে দিল্লীৰ ইন পুট আছে। দিল্লীৰ ইন পুট থকাৰ কাৰনেহে অসম পুলিছে আই এচ আই এচ কেইটাক ধৰিলে। অসম পুলিছৰ ইন পুট নাথাকিলে, অসম পুলিছৰ ইন পুটটো আমাৰ এচ বি হিৰেন নাথেটো কৈ ফুৰিব নোৱাৰে যে গোৱালপাৰাৰ অমুক ৰুমত, আমি চাই আছো তেওঁলোকে ৰুম সলনি কৰি আছে নেকি, সেইখিনি কৈ ফুৰিব নেকি ? অসম পুলিছৰ ইনপুট ১০০ শতাংশই আছে আৰু ১০০ শতাংশ থকা কাৰণে অসম পুলিছৰ এইবোৰ Success story . গতিকে মই বিধান সভাৰ মজিয়াৰ পৰা অসম পুলিছৰ সকলোকে ধন্যবাদ দিছো। লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ দিছো কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাৰিটা বিন্দুৰ কথা কৈছে। তাৰে এটা হৈছে সন্ত্ৰাসবাদ মুক্ত অসম। আমি ইয়াত সন্ত্ৰাসবাদৰ জন্ম হব নিদিওঁ। সন্ত্ৰাসবাদে কিমান অসমখন ধ্বংস কৰিছে সেইটো কথা আমি দেখিছো আৰু আমি জানো। যাৰ ঘৰৰ মানুহৰ মৃত্যু হয় সি বুজি পায় কেনেকুৱা সন্ত্ৰাসবাদ। আজি অসমত investment কিয় নাহে ? এই সন্ত্ৰাসবাদী সংগঠনৰ এই কাৰ্য্যকলাপৰ কাৰণে ভয় কৰে অসমলৈ আহিবলৈ। আমিটো wounded,enen মোৰ next brother সন্ত্ৰাসবাদৰ বলি হৈছে। তাকো গুলিয়াই হত্যা কৰা হৈছে। গতিকে এই সন্ত্ৰাসবাদ আমি অসমত হ'ব নিদিও। সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত তেওঁ চাৰিটা বিন্দুৰ ভিতৰত সন্ত্ৰাসমুক্ত অসম, তাত অসম চৰকাৰ একেবাৰে দৃঢ়ভাৱে ঠিয় হৈ আছে আৰু আমি ইয়াত সন্ত্ৰাসবাদ নিৰ্মূল কৰিমেই কৰিম। এইটো একেবাৰে খাতাং। সেইটো কথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ স্পষ্ট মত। সেইবাবে অসম পুলিছে দৃঢ়ভাবে কাম কৰি আছে। অধ্যক্ষ ডাঙৰীয়া আজি যিটো প্ৰসঙ্গ উত্থাপন কৰিছে, তাৰ মই লিখিত বিবৃতি দিছো - কিন্তু মই আমাৰ চৰকাৰৰ vision টো কেৱল xtempore কৰি দিছো। কিন্তু কংগ্ৰেছ থাকিলে ভাল লাগিলহেতেন। কংগ্ৰেছ আৰু এ আই ইউ ডি এফ থাকিলে মই আৰু অলপ ভালকৈ ক'ব পাৰিছো হয়। তেওঁলোক থাকিলে ভাল আছিল। কাৰণ জয় আই অসম দিয়া কংগ্ৰেছ আৰু এ আই ইউ ডি এফ থাকিলে ক'বলৈ ভাল পালোহেতেন। কিন্তু তেওঁলোক নথকাৰ কাৰণে কথাটো কৈ মই

সুখ নাপালো। অধ্যক্ষ ডাঙৰীয়া আজি কংগ্রেছ, এ আই ইউ ডি এফ দল থকা হলে সন্ত্রাসবাদ, জয় আই অসম আৰু অসম উন্নয়ন মই আজি তেখেত সকলক ভালকৈ বুজাই দিলো হয়। অসম ধ্বংসৰ কোন কাৰণ সেইটো মই বুজাই দিলো হয়। এতিয়া মূল কথাটোলৈ আহিছো। যেতিয়া কংগ্রেছে জনসংযোগৰ পৰা শ্ল'গান দিছিল হৰ্ডিংবিলাকত যে অসমে আকৌ হাঁহিছে। দৈনিক দুখন দুখন চিতা জুই জ্বলি আছে শ্বহীদৰ। কিন্তু তেতিয়া দিছে, অসমে আকৌ হাঁহিছে। মধুবৈশ্যক ১০,০০০ মানুহে ঘেৰাও কৰি হাউলীত যেতিয়া হত্যা কৰিছে, তাতে যেতিয়া চিতা জুই জ্বলাই আছে, মই নিজে তাত চিতা জুই জ্বলাই থকা অৱস্থাত আছো, তাতে হাউলীত চাইনবোৰ্ড এখনত আছে অসমে আকৌ হাঁহিছে। জনসংযোগ। জয় আই অসমৰ ৰাইট কেৱল বি জে পি ৰ আছে। কাৰণ আমি বিজেপি য়ে অসমক পাঁচখন ধনী ৰাজ্যৰ ভিতৰত এখন ধনী ৰাজ্যলৈ লৈ যাব বিচাৰিছো। এতিয়া মই বিষয়টো কৈছো যে উপৰোক্ত যিটো জাননী আমালৈ আহিছে, এই জাননীৰ প্ৰসঙ্গক্ৰমে মাননীয় শ্ৰীযুত প্ৰবীন্দ্ৰ ডেকা আৰু মাননীয় শ্ৰীযুত প্ৰদীপ হাজৰিকাই বিধান সভাৰ শূন্যকালীন ঘন্টাত দিবলগীয়া প্ৰশ্নৰ উত্তৰ তলত দিয়া হ'ল - ইংৰাজী ২৬-১১-২০১৯ তাৰিখৰ দৈনিক জনমভূমি কাকতত প্ৰকাশিত " বৃহৎ পৰিমানৰ বিস্ফোৰক সহ আই ছিছৰ তিনিজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ ঃ ভয়ঙ্কৰ কুটাঘাটৰ পৰা ৰক্ষা পৰিল অসম" আৰু ইংৰাজী ২৭-১১-২০১৯ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত " বাংলা দেশত আই আইছিছ নেতাৰে সঘন যোগাযোগ আছিল ৰঞ্জিত ইছলামৰ" শীৰ্যক বাতৰি দুটা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সন্দৰ্ভত ইংৰাজী ২৪-১১-২০১৯ তাৰিখে দিল্লী আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক অমৃত কুমাৰে গোৱালপাৰা থানাত এখন লিখিত এজাহাৰ দাখিল কৰি জনায় যে বিভিন্ন চ'চিয়েল মিডিয়াক যোৰা ছয়মাহ ধৰি নিৰীক্ষণ কৰি থাকোতে মৌলবাদী ভাৰ ধাৰাৰ দ্বাৰা প্ৰভাৰিত এটা অন লাইন সংস্থাই দিল্লীৰ এচাম যুৱকক অসম আৰু দিল্লীত বিস্ফোৰণ ঘটোৱাৰ বাবে পৰিকল্পনা যুগুত কৰা পৰিলক্ষিত হয়। এই খবৰ জ্যেষ্ঠ বিষয়া আৰু কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাক অৱগত কৰা হয়। এই অন লাইন সংস্থাটোক ক্ষীপ্ৰ নীৰিক্ষনত ৰাখি গম পোৱা যায় যে আই এচ আই এচ আৰু মৌলবাদৰ প্ৰতি আনুগাত্য থকা এটা তিনি চাৰিজনীয়া ব্যক্তিৰ গোটে অযোধ্যা ৰায় দানৰ পাছত শান্তি শৃঙ্খলা ভঙ্গ কৰাৰ উদ্দেশ্যে সন্ত্ৰাসবাদী আক্ৰমন কৰাৰ পৰিকল্পনা কৰিছে। গম পোৱা যায় যে এই দলটোৱে ইতিমধ্যে কেইটামান আই ই ডি সাজি উলিয়াইছে আৰু কিছু দিনৰ ভিতৰতে অসমৰ ৰাস মেলাত বিস্ফোৰণ ঘটোৱাৰ পৰিকল্পনা কৰিছে। ইয়াৰ পিছত দিল্লী আৰক্ষীৰ এটা দলে অসমত আহি ইংৰাজী ২৩-১১-২০১৯ তাৰিখে উপস্থিত হয়। গোপন সূত্ৰৰ পৰা গম পোৱা যায় যে ২৮-১১-২০১৯ তাৰিখে দিনৰ ১২/১ বজাত তিনিজন ব্যক্তি দুধনৈ ৰাস মেলাত আই ই ডি বিস্ফোৰন কৰাৰ উদ্দেশ্যে গোৱালপাৰাৰ মধুবন ল'জৰ প্ৰাংগনত মিলিত হ'ব। ইয়াৰ পিছত দিল্লীৰ বিশেষ শাখাৰ সদস্য সকলৰ সৈতে গোৱালপাৰাৰ এটা আৰক্ষীৰ দলে যুটীয়াভাবে অভিযান চলাই তিনিজন ব্যক্তিক কৰায়ত্ব কৰা হয়। কৰায়ত্ব কৰা ব্যক্তিকেইজনৰ পৰা উদ্ধাৰ কৰা সামগ্ৰী সমূহৰ বিৱৰন তলত উল্লেখ কৰা হ'ল-

১) ৰঞ্জিত ইছলাম, বয়স ২৪ বছৰ, পিতা আলবুদ্দিন শেখ, গাওঁ নয়াপাৰা, থানা কৃষ্ণাই, গোৱালপাৰা। তেওঁৰ পৰা উদ্ধাৰ কৰা হৈছে বেটাৰী সংযোগ নকৰা এটা পূৰ্ণ আই ই ডি, চাবি থকা চুৰি এখন প্ৰায় ২৫ ছেঃমিঃ দীঘল।

২) মোকাদ্দিৰ ইছলাম, বয়স ২১ বছৰ, পিতা জবিউল ইছলাম, গাওঁ চৰ্দাৰপাৰা, থানা কৃষ্ণাই গোৱালপাৰা। তেওঁৰ পৰা উদ্ধাৰ কৰা হৈছে এখন লোহাৰ তৰোঁৱাল, দুটা বেঁটাৰী ( Mark HIW hi-waot, 6 F 229v) আৰু আই ই ডি বনোৱাৰ বিৱৰণ থকা হাতে লিখা টোকা।

৩) লুইট জামেল জামান, বয়স ২৪ বছৰ, পিতা মেহেবুব আলি, গাওঁ চৰ্দাৰপাৰা, থানা কৃষ্ণাই গোৱালপাৰা। তেওঁৰ পৰা উদ্ধাৰ কৰা হৈছে, এখন লোহাৰ তৰোঁৱাল প্ৰাথমিক তদন্তৰ পদকীয়া কেইজনে জনাই যে উদ্ধাৰ হোৱা আই ই ডি সম্পূৰ্ন আছিল আৰু দুধনৈ ৰাস মেলাত বিস্ফোৰনৰ পৰিকল্পনা কৰিছিল। তেওঁলোকে প্ৰকাশ কৰে যে দিল্লীটো তেনেধৰনৰ আই ই ডি বিস্ফোৰন কৰাৰৰ তেওঁলোকৰ পৰিকল্পনা আছিল। তেওঁলোকে দিল্লীত বিস্ফোৰন ঘটোৱাৰ বাবে আই ই ডি ৰ উপাদান সমূহৰ লগতে বিস্ফোৰক সামগ্ৰী সমূহ ইতিমধ্যে যোগাৰ কৰি কৃষ্ণাই ৰঞ্জিত ইছলাম আৰু লুইত জামেল জামানৰ ঘৰত ৰাখিছিল। ৰঞ্জিত ইছলামৰ ঘৰত তালাচী চলাই নিম্নলিখিত সামগ্ৰী সমূহ উদ্ধাৰ কৰা হয়।

১) এটা প্লাষ্টিকৰ পাত্ৰত ৬৫৫ গ্ৰাঃ বিস্ফোৰক

২) এটা প্লাষ্টিকৰ মোনাত ১৭০ গ্ৰাঃ ফটকাৰ অৱশিষ্ট্য

৩) এটা প্লাষ্টিকৰ পাত্ৰত প্ৰায় ৪০ গ্ৰাঃ বিস্ফোৰক

৪) এটা প্লাষ্টিকৰ পাত্ৰত প্ৰায় ১৪৫ গ্ৰাম বিস্ফোৰক

মাননীয় অধ্যক্ষ ডাঙৰীয়া, লুইট জামেল জামানৰ ঘৰত তালাচী চলাই নিম্নলিখিত সামগ্ৰী বোৰ উদ্ধাৰ কৰা হয়-

১) ২ টা লোৰ Elbow ।

২) ২ টা এলাৰ্ম ঘড়ী।

৩) তাঁৰ।

৪) ১ কিলোগ্ৰাম লোৰ গজাল।

৫) LED লাইট।

৬) মাৰ্বল।

৭) হাতুৰী আৰু ২ টা স্ক্ৰু ড্ৰাইভাৰ।

সেইমতে গোৱালপাৰা থানা গোচৰ নং ৭০৯/ ১৯ ভাঃ দঃ বিঃ আইনৰ ১২০ খ/ ১২১/ ১২১ ক/ ১২২/ ১৫৩ ক ধাৰা আৰু ES ACT ৰ ৪/৫ ধাৰা Arms Act ৰ ২৫ ধাৰা আৰু UA(P) Act ৰ / ১৬/ ১৮ ধাৰা মতে গোচৰ ৰুজু কৰি তদন্ত কৰা হয়।

তদন্ত কালত গম পোৱা যায় যে ১ নং পদকীয়া ৰঞ্জিত আলীয়ে বিভিন্ন সন্দেহ জনক যোগাযোগ ৰক্ষা কৰি চলিছিল আৰু তেওঁলোকৰ পৰা Watchapp, Facebook Telegram ৰ যোগেদি বোমা বনোৱাৰ জ্ঞান আহৰণ কৰিছিল আৰু সেইমতে ইতিমধ্যে ওপৰত বৰ্ণনা দিয়া সামগ্ৰীসমূহ সংগ্ৰহ কৰি হস্তনিৰ্মিত বোমা প্ৰস্তুত কৰে আৰু উক্ত বোমাটো কূটাঘাট মূলক কামৰ কাৰণে সাজু কৰিছিল।

উক্ত গোচৰটো অসম আৰক্ষীয়ে গুৰুত্ব সহকাৰে লৈছে আৰু এজন উপ-আৰক্ষী অধীক্ষক পৰ্যায়ৰ বিষয়াক গোচৰটোৰ তদন্তৰ দায়িত্বভাৰ দিয়া হৈছে আৰু তদন্ত প্ৰক্ৰিয়াটো জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে তদাৰক কৰি আছে। গ্ৰেপ্তাৰ হোৱা পদকীয়া কেইজনৰ লগত বাংলাদেশত থকা ISIS বা অন্য কোনো মৌলবাদী সংগঠনৰ সৈতে সম্পৰ্ক আছে নেকি তাৰ বাবে তদন্ত কৰি থকা হৈছে। গ্ৰেপ্তাৰ হোৱা পদকীয়া কেইজনক মহামান্য আদালতে ১২ দিনৰ আৰক্ষীৰ জিম্মাৰ বাবে অনুমতি দিয়ে। তদন্ত প্ৰক্ৰিয়া বৰ্তমান অব্যাহত আছে।

গতিকে অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ত আমি চৰকাৰৰ ফালৰ পৰা written statement এটা দিছো আৰু পুলিচৰ লগতে চোৰাংচোৱা বিভাগো এই সম্পৰ্কত এলাৰ্ট হৈ আছে আৰু আমি

আশ্বস্ত কৰিব বিচাৰিছো যে অসম পুলিচৰ সকলো প্ৰচেষ্টাই ইতিমধ্যে অব্যাহত ৰখা আছে। গতিকে এনেকুৱা ধৰণৰ ঘটনা যাতে সংঘটিত হ'ব নোৱাৰে তাৰ কাৰণে অসমৰ ৰাইজেও যাতে পুলিচক সহায় কৰে। এনেকুৱা ধৰণৰ কিবা যদি ইনফৰমেশ্যন থাকে, তেতিয়া জনসাধাৰণেও যাতে অসম পুলিচক সহায় কৰে, অসমৰ স্বাৰ্থত আমি এই সদনৰ জৰিয়তে ৰাইজকো আহ্বান জনালো যাতে Police People Participation ৰ জৰিয়তে এই সন্ত্ৰাসবাদ আমি ইয়াতে নিৰ্মুল কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৩। অসম বিধান সভাৰ অধ্যক্ষৰ কাৰ্য্যালয়ত যোৱা ০৬-১১-২০১৯ তাৰিখে ৰাতিপুৱা ১১-০০ বজাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত আজি ইং ২৮ নৱেম্বৰ, ২০১৯ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধান সভাৰ শীতকালীন অধিবেশনৰ খচৰা দিনপঞ্জীখন চূড়ান্ত কৰাৰ বাবে অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়।

বৈঠকত দিনপঞ্জীখনৰ দৈনিক কাৰ্য্যসূচীৰ ওপৰত পুংখানুপুংখভাৱে আলোচনাৰ অন্তত সমিতিয়ে সৰ্বসন্মতিক্ৰমে বিধান সভাৰ চলিত শীতকালীন অধিবেশন অহা ৬ ডিচেম্বৰৰ,২০১৯ তাৰিখলৈ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্তগ্ৰহণ কৰে। ইয়াৰোপৰি, অহা ০২-১২-২০১৯ তাৰিখ সোমবাৰে চৰকাৰী বন্ধৰ দিন কাৰণে অহা ৩০-১১-২০১৯ তাৰিখ শনিবাৰে, সোমবাৰৰ কাৰ্য্যসূচীখিনিৰ ওপৰত আলোচনা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৫-১২-২০১৯ তাৰিখে ' অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনা আৰু ০৬-১২-২০১৯ তাৰিখে মহামানৰ মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তীৰ লগত ৰজিতা খোৱাই গান্ধীজীৰ আদৰ্শৰাজিৰ ওপৰত এক বিশেষ আলোচনা অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

অধিবেশনৰ মুঠ ৭ দিন কৰ্মদিনৰ ৫ দিন চৰকাৰী কাৰ্য্যসূচী আৰু ২ দিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচীৰ বাবে ধাৰ্য্য কৰা হয়। ২৮-১১-২০১৯ তাৰিখত ২০১৯-২০ বৰ্ষৰ পৰিপূৰক দাবীসমূহৰ আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন কৰা হ'ব। ৩০-১১-২০১৯ তাৰিখে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ ওপৰত ভোটদান হ'ব।

বৈঠকত সমিতিয়ে দেশ তথা ৰাজ্যখনলৈ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সাহিত্য আদি বিভিন্ন দিশত বৰঙণি আগবঢ়োৱা খ্যাতনামা মৃতব্যক্তিসকলৰ নাম মৃত্যু প্ৰসংগত অন্তৰ্ভূক্ত কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

ইতিমধ্যে চলিত শীতকালীন অধিবেশনৰ দিনপঞ্জীখন সদনৰ সকলো মাননীয় সদস্য-সদস্যাৰ মাজত বিতৰণ কৰা হৈছে।

আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত চৰ্তুদ্দশ অসম বিধান সভাৰ দশম অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নোলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হৈছে ঃ-

(১) ডাঃ নোমল মমিন

(২) শ্ৰীৰাজদ্বীপ গোৱালা

(৩) শ্ৰীভবেন্দ্ৰ নাথ ভৰালী

(৪) শ্ৰীমহেশ্বৰ বড়ো।

এতিয়া কাৰ্য্যসূচী ৫ ৰ প্ৰশ্নকৰ্তা, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ নাই। গতিকে আমি ৬ নং

কাৰ্য্যসুচীলৈ লৈ যাব বিচাৰিছো। মই মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাক, তেখেতৰ বিষয়টো আমাৰ নিয়মাৱলী ৩০১ নং দফাৰ অধীনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। অৱশ্যে এই প্ৰশ্নটো ইতিমধ্যে আজি ৰাতিপুৱা আলোচনা হ'ল আৰু উত্তৰো দিয়া হ'ল। আপোনাৰ যদি কিবা অতিৰিক্ত আছে তেন্তে উত্থাপন কৰক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাক, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৩০১ নং নিয়মৰ অধীনত বিশেষ প্ৰসংগ এটা উত্থাপন কৰিব বিচাৰিছো আৰু আমি সকলোৱে এইক্ষেত্ৰত ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে কি সিদ্ধান্ত লৈছে সেইটো ইতিমধ্যে মাননীয় উদ্যোগ মন্ত্ৰীৰ পৰা জানিব পাৰিছো। ছয়বছৰীয়া অসম আন্দোলনৰ ফলত ১৯৮৫ চনত স্বাক্ষৰ হোৱা অসম চুক্তিৰ ফচল হ'ল এন আৰ এল আৰু ইয়াত অসমৰ জনসাধাৰণৰ আবেগ অনুভূতি জড়িত হৈ আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী শ্ৰীমতী নিৰ্মালা সীতাৰমনে ২০২০ চনৰ মাৰ্চ মাহৰ পূৰ্বে ভাৰত পেট্ৰলিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ লগতে নুমলীগড় শোধানাগাৰ বহুজাতিক বে-চৰকাৰী প্ৰতিষ্ঠানক দিয়াৰ এটা ঘোষণা কৰিছিল। আমাৰ নুমলীগড় ৰিফাইনেৰীটো, এইটো লোকচানত থকা নাছিল, লাভজনক এটা উদ্যোগ আৰু চলিত লোক সভাত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীয়ে সদৰি কৰিছে যে ২০১৬-১৭ চনত এই নুমলীগড় ৰিফাইনেৰীৰ জৰিয়তে ২১০০ কোটি টকা লাভ হৈছিল আৰু ২০১৭-১৮ চনত ২০৪৬ কোটি টকা লাভ কৰে আৰু বিগত বছৰত ২০১৮-১৯ চনত ১৯৬৮ কোটি টকা লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। গতিকে বিগত তিনিটা বছৰৰ তথ্য যদি আমি চাওঁ, তেনেহ'লে দেখা গৈছে যে এই নুমলীগড় ৰিফাইনেৰী এটা লাভজনক প্ৰতিষ্ঠান হিচাবে গঢ়ি উঠিছে। বিশেষভাৱে জানিব পৰা মতে চি আৰ আঁচনিখনৰ নামত ইতিমধ্যে প্ৰায় ৫৪ কোটি টকা এন আৰ এল য়ে খৰচ কৰিছে। গতিকে এনেকুৱা লাভজনক এটা উদ্যোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যিটো সিদ্ধান্ত লৈছিল, ইয়াৰ বিৰুদ্ধে এটা প্ৰবল প্ৰতিবাদ গঢ়ি উঠিছিল আৰু সৰ্বশেষত কেন্দ্ৰীয় চৰকাৰে এই লাভজনক উদ্যোগটো বহু জাতিক বেচৰকাৰী খণ্ডলৈ বিক্ৰী নকৰাৰ যিটো আনুষ্ঠানিক ঘোষণা, ইতিমধ্যে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। মই আশা ৰাখিছো যে যিটো সিদ্ধান্ত ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে। পৰৱৰ্তী সময়ত যাতে এই সিদ্ধান্ত অটুত থাকে তাৰ প্ৰতি দৃষ্টি ৰাখিবৰ কাৰণে অনুৰোধ জনাই মোৰ ক'বলগীয়াখিনি ইমানতে ইমানতে সামৰণি মাৰিছো।

(সন্মানীয় আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই যিটো বিষয় উত্থাপন কৰিছে এই সম্পৰ্কত মৃণাল শইকীয়া ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিলে তাতে উত্তৰখিনি দিয়া হৈছে। গতিকে মই ভাৱো ইয়াত আৰু বিশেষ কব লগীয়া নাই। ইতিমধ্যে Central Cabinet এ সিদ্ধান্ত লৈছে যে - B.C.P.L. disinvestment হয়, কিন্তু নুমলীগড় ৰিফাইনাৰী disinvestment নহয়। শেহতীয়া ভাৱে কেবিনেটত সিদ্ধান্ত লৈছে যে - stratagic disinvestment of B.C.P.L.(Brahmaputra Craker Polymer Ltd.) Stake-holders of 61.65% in N.R.L. (Numaligarh Refinary Ltd.) alongwith the transfer of management control to the Central Public Sector enterprise operating in the Oil & Gas Sector গতিকে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছে যে এইটো disinvestment নহয়। এইটোৰ ওপৰত মই আৰু ডিটেইলচ নকওঁ। যিহেতু উত্তৰ খিনি দিছো। এইটোৰ কাৰণে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। N.R.L. টো যিহেতু অসম চুক্তিৰ এটা স্বাক্ষৰৰ ফলত হৈছিল, অসমৰ ৰাইজৰ যিটো আন্দোলনকাৰী সত্বা, শ্বহীদ সকলৰ যি ত্যাগ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এইটো বিবেচনা কৰিছে

তাৰ বাবে অসম বিধান সভাৰ পৰা মাননীয় প্ৰধান মন্ত্ৰী, নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। তেখেতে এই সম্পৰ্কত ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিছে আৰু উদ্যোগ মন্ত্ৰী হিচাপে মই যিখিনি কৰিব লাগে কৰিছো। সেইকাৰণে অধ্যক্ষ ডাঙৰীয়া মই কৈছো যে এইটো disinvestment নহয়। গতিকে এইটোক লৈ আৰু কোনো টেনচন নাই। মই আকৌ এবাৰ কওঁ যে - আন্দোলনৰ ফলত হোৱা চুক্তিৰ আধাৰত যি ৰিফাইনাৰী হৈছিল, গোটেই B.C.P.L. টো disinvestment কৰি অকল এটা ৰিফাইনাৰী আনিছিল। কাৰণ তেওঁলোকৰ বাকী চাৰিটা ৰিফাইনাৰী আছিল কেৰেলা, মধ্যপ্ৰদেশ, মুম্বাই আৰু নুমলীগড় ৰিফাইনাৰী। গতিকে নুমলীগড় ৰিফাইনাৰীটো অসম একৰ্ডত থকা কাৰণে অসমৰ ৰাইজ আৰু তেওঁলোকৰ, আন্দোলন তথা শ্বহীদ সকলৰ প্ৰতি সন্মান জনাই মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি সিদ্ধান্ত ললে যে N.R.L. disinvestment নহয়, বাকী সকলোবোৰ disinvestment হ'ব তাৰ বাবে সদনে মাননীয় প্ৰধান মন্ত্ৰী, নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ আগবঢ়াইছো। অকল এটা বাক্য কৈ মই শেষ কৰিব বিচাৰিছো যে - জয় আই অসম শ্ল'গান দিয়াৰ অধিকাৰ কেৱল বিজেপিৰ হে আছে, বেলেগৰ কাৰো নাই।

**মাননীয় উপাধ্যক্ষ ঃ Item No. 7,** Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs to lay the report of the Comptroller and Auditor General of India on social, general and Economic (Non-PSUs) Sectors (Report No.4 of 2019) for the

year ended 31st March, 2018 relating to the Government of Assam,
year ended 31st March, 2018 relating to the Government of Assam,
year ended 31st March, 2018 relating to the Government of Assam.

**Shri C. M. Patowary, Minister ঃ** Hon'ble Deputy Speaker Sir, I beg to lay the Report of the Comptroller and Auditor General of India on social, general and Economic (Non-PSUs) Sectors (Report No.4 of 2019) for the year ended 31st March, 2018 relating to the Government of Assam.

**মাননীয় উপাধ্যক্ষ ঃ Item No. 8.** Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs to lay the report of the Comptroller and Auditor General of India on Public Sector Undertakings for the year ended 31st March, 2018.

**Shri C. M. Patowary, Minister ঃ** Hon'ble Deputy Speaker Sir, I beg to lay the Report of the Comptroller and Auditor General of India on Public Sector Undertakings for the year ended 31st March, 2018.

**মাননীয় উপাধ্যক্ষ ঃ Item No. 9.** এতিয়া মাননীয় মূখ্যমন্ত্ৰীয়ে ২০১৯ চনৰ ৯ আৰু ১৯ আগষ্ট অধিসূচনা দুখন সদনত দাখিল কৰিব।

**Shri C. M. Patowary, Minister ঃ** Hon'ble Deputy Speaker Sir, I on behalf of the Hon'ble Chief Minister beg to lay 2 (two) Nos. of

Extraoradinary Gazette Notifications of the Power Department, Govt. of Assam dated 9th and 19th August, 2019.

**মাননীয় উপাধ্যক্ষ ঃ Item No. 10.** এতিয়া মাননীয় বিত্তমন্ত্ৰীয়ে ২০১৯ চনৰ ২৫ জুলাই পৰা ১৬ অক্টোবৰ তাৰিখলৈ ১৪ খন অধিসূচনা সদনত দাখিল কৰিব।

**Shri C. M. Patowary, Minister ঃ** Hon’ble Deputy Speaker Sir, অসমৰ বিত্ত মন্ত্ৰীৰ হৈ মই অসম বিত্তীয় নিগমৰ ২০১৮ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত হিচাপৰ প্ৰমাণ পত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ Item No. 11.** এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে ২০১১ চনৰ ১০ অক্টোবৰৰ Justice (Retd) Hareswar Baruah Commission of Inquiry Report into the circumstances leading to the killing of 4 (four) persons and injuries 2 (two) persons, if any, during the road blockade programme on the National Highway 52 by thousands of jute farmers at Dalgaon under Darrang District ৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

**Shri C. M. Patowary, Minister ঃ** Hon’ble Deputy Speaker Sir, I on behalf of the Hon’ble Chief Minister of Assam to lay the Justice (Retd) Hareswar Baruah Commission of Inquiry Report into the circumstances leading to the killing of 4 (four) persons and injuries 2 (two) persons during the road blockade programme on the National Highway 52 by thousands of jute farmers at Dalgaon under Darrang District on 10th October 2011 alongwith memorendum on Action Taken Report from Government of Assam, home and Political Department.

**মাননীয় উপাধ্যক্ষ ঃ Item No. 12.** এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে ২০১৩ চনৰ ১৮ অক্টোবৰৰ Justice (Retd) P. K. Muchahary Commission of Inquiry Report into the incident that took place in Hemlai Tea Estate of Jorhat District on 18-08-2013 resulting in the death of a minor boy alongwith memorendum on Action Taken Report from Government of Assam, Home and Political Department ৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

**Shri C. M. Patowary, Minister ঃ** Hon’ble Deputy Speaker Sir, I, on behalf of the Hon'ble Chief Minister, Shri Sarbananda Sonowal to lay the justice (Retd) P. K. Muchahary Commission of Inquiry Report into the incident that took place in Hemlai Tea Estate of Jorhat District on 18-08-2013 resulting in the death of a minor boy alongwith memorendum on Action Taken Report from Government of Assam, Home and Political Department.

**Hon'ble Deputy Speaker** : এতিয়া কাৰ্যসূচী No. 13, মাননীয় মুখ্যমন্ত্ৰীয়ে 2010 চনৰ 14th May, Justice (Retd.) PC Phukan Commisssion of Inquiry Report into the circumstances leading to the killing of 4 (four) persons on 14-05-2010 in Lampi area under Boko Police Station of Kamrup ইয়াৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)**ঃ Hon'ble Deputy Speaker Sir, I on behalf of Hon'ble Chief Minister, Shri Sarbananda Sonowal to lay the Justice (Retd.) PC Phukan Commisssion of Inquiry Report into the circumstances leading to the killing of 4 (four) persons on 14-05-2010 in Lampi area under Boko Police Station of Kamrup District alongwith Memorandum of Action Taken Report from Government of Assam, Home and Political Department.

**Hon'ble Deputy Speaker** : এতিয়া কাৰ্যসূচী No. 14.মাননীয় মুখ্যমন্ত্ৰীয়ে 2008-09, 2009-10, 2010-11, 2011-12 and 2012-13 **চনৰ** Assam Building & Other Construction Worker Welfare Board **ৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন পাচঁখন সদনত দাখিল কৰিব।**

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ Hon'ble Deputy Speaker Sir, I on behalf of Hon'ble Chief Minister, Shri Sarbananda Sonowal to lay the Separate Audit Reports on the Accounts of the Assam Building & Other Construction Worker Welfare Board, Guwahati for the years 2008-09, 2009-10, 2010-11, 2011-12 and 2012-13.

**Hon'ble Deputy Speaker** : এতিয়া কাৰ্যসূচী No. 15 মাননীয় মুখ্যমন্ত্ৰীয়ে 2017 -18 চনৰ Assam Electricity Grid Corporation Limited ৰ 15th Annual Report সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ Hon'ble Deputy Speaker Sir, I on behalf of Hon'ble Chief Minister, Shri Sarbananda Sonowal to lay the 15th Annual Report & Accounts of Assam Electricity Grid Corporation Limited for the year 2017-18.

Hon'ble Speaker on the Chair.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী No. 16 ৰ প্ৰতিবেদন খন সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I on behalf of Hon'ble Chief Minister, Shri Sarbananda Sonowal to lay the Annual Report & Accounts of Assam Power Generation Corporation Limited for the year 2017-18.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী No. 17 ৰ প্ৰতিবেদন খন সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon’ble Speaker Sir, I on behalf of Hon’ble Finance Minister, to lay the Separate Audit Report and Certificate on the Accounts of Assam Financial Corporation for the year ended on 31st March, 2018.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী No. 18 ৰ পৰিবেশ আৰু বন মন্ত্ৰীয়ে 2012-13, 2013-14 Assam State Compensatory Afforestation Fund Management and Planning Authority (CAMPA) ৰ প্ৰতিবেদন খন সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

**Shri Parimal Suklabaidya, Hon’ble Minister (Environment & Forest etc.) :** Hon’ble Speaker Sir, মই 2012-13 and 2013-14 চনৰ Assam State Compensatory Afforestation Fund Management and Planning Authority (CAMPA), Guwahati পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সদনত দাখিল কৰিলো।

**Hon’ble Speaker :** Now, I request, Hon’ble Minister (Environment & Forest etc.), Shri Parimal Suklabaidya, to lay the Separate Audit Reports on the Accounts of the Assam State Bio-diversity Board, Guwahati for the years 2011-12, 2012-13 and 2013-14.

**Shri Parimal Suklabaidya, Hon’ble Minister (Environment & Forest etc.) :** Hon’ble Speaker Sir, মই 2011-12, 2012-13 and 2013-14 চনৰ Assam State Bio-diversity Board, Guwahati পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সদনত দাখিল কৰিলো।

**Hon’ble Speaker :** Now, in absence of Shri Rajdeep Goala, I request, Shri Ramendra Narayan Kalita, Hon’ble Member, Committee on Public Accounts, Assam Legislative Assembly to present the 156th, 157th and 158th Reports of the Committee.

**Shri Ramendra Narayan Kalita, Hon’ble Member :** Hon’ble Speaker Sir, I on behalf of Hon’ble Chairman, Shri Rajdeep Goala,Committee on Public Accounts, Assam Legislative Assembly present the 156th, 157th and 158th Reports of the Committee.

**Hon’ble Speaker :** Now, Shri Chandra Mohan Patowary, Hon’ble Minister, Parliamentary Affiars etc. to move in pursuance of Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. This Assembly do elect one member of the Assembly to fill-up the casual vacancy occurred due to resignation from membership of the Committee on Estimates by Shri Aminul Haque Laskar, who has acquired the post of Deputy Speaker w.e.f. 31st July, 2019 and in accordance with the principle of proportional

representation by means of the single transferrable vote, who shall hold office for the remaining period of the Committee on Estimates, Assam Legislative Assembly.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon’ble Speaker Sir, I beg to move in pursuance of Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly this Assembly do elect one member of the Assembly to fill-up the casual vacancy occurred due to resignation from membership of the Committee on Estimates by Shri Aminul Haque Laskar, w.e.f. 31st July, 2019 and in accordance with the principle of proportional representation by means of the single transferrable vote, who shall hold office for the remaining period of the Committee on Estimates, Assam Legislative Assembly.

**Hon’ble Speaker :** Now, the Principal Secretary will notify the date, time and place for holding the election, if necessary.

Next, Item No 22, on behalf of Hon’ble Finance Minister, Dr. Himanta Biswa Sarma, I request the Parliamentary Affairs Minister to present the Supplementary Demand and Supplementary Appropriation for the year 2019-20.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ-** ক্ৰমশ.. Hon'ble Speaker sir, I on behalf of Hon'ble Finance Minister, Dr. Himanta Biswa Sarma beg to present the supplementary demand and supplementary appropriation for the year 2019-20.

**Hon'ble Speaker**:- Next টো Introduce কৰক ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ-** Hon'ble Speaker sir, I on behalf of Hon'ble Finance Minister, Dr. Himanta Biswa Sarma, beg leave to introduce 'The Assam Goods and Service Tax (Amendment) Bill, 2019'

**Hon'ble Speaker:-** Leave is granted, Ok.

**Hon'ble Speaker**:- ৰাজভৱনৰ পৰা বিধেয়ক খন উত্থাপন কৰিবৰ বাবে ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো ।

Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of 'The Assam Goods and Services Tax (Amendment) Bill, 2019' in the Assam Legislative Assembly.

এতিয়া বিত্তমন্ত্ৰীয়ে সদনত উত্থাপন কৰিব ।

**Hon'ble Speaker:-** Principal Secretary.

**Principal Secretary:-** বিল খনৰ শিৰোনামা, 'The Assam Goods and Ser-

vice Tax (Amendment) Bill, 2019'

**মাননীয় অধ্যক্ষ:-** ইয়াৰ পিছত বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019 উত্থাপন কৰিবৰ কাৰণে সদনক অনুৰোধ জনাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** Hon'ble Speaker sir, I, on behalf of Hon'ble Finance Minister to beg leave to introduce "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019

**মাননীয় অধ্যক্ষ:-**বিধেয়ক খন উত্থাপন কৰিবৰ কাৰণে সদনৰ সন্মতি আছে নে ? এতিয়া ৰাজভৱনৰ পৰা বিধেয়ক খনৰ ক্ষেত্ৰত এটা বাণী পঠিয়াইছে, মই পঢ়ি দিব খুজিছো।

Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019 in the Assam Legislative Assembly.

মই এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** Hon'ble Speaker sir, 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019 বিধেয়ক খন সদনত উত্থাপন কৰিলো ।

Hon'ble Speaker:- Principal Secretary.

Principal Secretary:- বিল খনৰ শিৰোনামা, 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019.

Hon'ble Speaker:-Item no. 25 বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019' উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** Hon'ble Speaker sir, I, on behalf of Hon'ble Finance Minister to beg leave to introduce 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019'

**মাননীয় অধ্যক্ষ ঃ** বিধেয়ক খন উত্থাপন কৰিবৰ বাবে সদনৰ সন্মতি আছে নে ?

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়কঃ-** মোৰ অলপ ক'বলগীয়া আছে চাৰ। Contingency Fund দিয়াৰ যিটো ব্যৱস্থা Corpus Bill ত আছে। মই দেখিছো আমাৰ DC বা SDO level ত আপোনালোকৰ যিটো Contingency Fund দিবলগীয়া আছিল, প্ৰয়োজন সাপেক্ষে নিদিয়াৰ ফলত আমি দেখিছো বেছিভাগ গোটেই অসমত SDO(Civil) ৰ Administrative building ৰ লগত circuit house সমূহো আছে তেওঁলোকৰ building বোৰত লাহে-লাহে শেলুৱৈ বান্ধিছে। Contingency Fund নোপোৱাৰ কাৰণে building বোৰত ৰং কৰিবৰ বাবে টকা নোপোৱাৰ ফলত একেবাৰে দেখিবলৈ বেয়া হৈছে। ফলত circuit house বা Guest House সমূহো দেখিবলৈ বেয়া হৈ থাকে । এই building বোৰত থকা furniture বোৰৰ এছ এ ডি আৰু জি এ ডি ফালৰ পৰা যিখিনি দিবলগা আছিল সেইখিনি নিদিয়াৰ কাৰণে furniture খিনি ভাঙি-চিঙি নষ্ট হৈ গৈছে । গতিকে এই Contingency Fund টো আমাৰ

SDO(Civil) ৰ আওঁতাত আনি circuit house বোৰ যাতে আটক ধুনীয়া কৰি ৰাখিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। যিহেতু আজিৰ সদনত পৰিক্ৰমা মন্ত্ৰী ইয়াৰ দায়িত্বত আছে। গতিকে এই খিনি যাতে কৰিব পৰা হয়, তেতিয়াহ'লে আমাৰ যিখিনি মহকুমাৰ অধীনত থকা circuit house বা Guest House বোৰ দেখিবলৈ বেয়া হৈ আছে সেইবোৰ ভালদৰে চাফ-চিকুণ কৰাৰ কিবা এটা ব্যৱস্থা কৰিব নেকি। DC সকলক যেনেকৈ Contingency Fund দিয়া হয় ঠিক তেনেকৈ SDO(Civil) ৰ আওঁতাত Contingency Fund দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আচলতে বিল খন আমি introduce কৰিছো আৰু ইয়াৰ ওপৰত যেতিয়া Amendment বিল আহিব তেতিয়া মাননীয় সদস্য সকলে সেই সময়ত তেওঁলোকৰ বক্তব্য ৰাখিব পাৰিব । গতিকে বিল খন introduce কৰা হওঁক। মাননীয় সদস্য সকলৰ যিখিনি ক'বলগীয়া আছে সেই খিনি Amendment ৰ সময়ত তেওঁলোকে ক'ব পাৰিব আৰু তেতিয়া বিত্ত বিভাগৰ ফালৰ পৰা definitely it will be respondent. আপোনাৰ suggestion টো ভাল পাইছো ।

**মাননীয় অধ্যক্ষঃ** consideration stage ত ক'লে আপোনাক ক'ব কৈছে। তেতিয়া মন্ত্ৰীও থাকিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** consideration stage ত আহিব that stage you can speak. মই ভাবো যে বিলখন উত্থাপন কৰাৰ পিছতো you have got enough scope.

**মাননীয় অধ্যক্ষ ঃ** আলোচনা কৰিব পাৰে। আমি কেতিয়াবা বিলখন selected committee লৈ পঠিয়াও। আপুনি consideration stage ত ক'ব । এতিয়া আপুনি introduce কৰক। ৰাজ্যপাল মহোদয়ৰ বাণীটো মই পঢ়ি দিব খুজিছো ।

Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019' in the Assam Legislative Assembly.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয় 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019' বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়কৰ শিৰোনামা পঢ়িব ।

Principal Secretary:- বিলখনৰ শিৰোনামা, 'The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019'

**মাননীয় অধ্যক্ষ:-** এতিয়া শিক্ষামন্ত্ৰী ডাঙৰীয়াই "The Assam Women's University (Amendment) Bill, 2019 সদনত উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Women's University (Amendment) Bill, 2019" সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ:-** উত্থাপনৰ বাবে সদনৰ অনুমতি আছে নে? এতিয়া মই বিধেয়ক খন সদনত উত্থাপন কৰিবৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam

Women's University (Amendment) Bill, 2019". বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা)ঃ** বিধেয়ক খনৰ শিৰোনামা "The Assam Women's University (Amendment) Bill, 2019".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক "The Assam Excise (Amendment) Bill, 2019". সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (আবকাৰী বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2019". বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি আছেনে?

**শ্ৰী কমলসিং নাৰ্জাৰী (বিজনী)ঃ** এই ক্ষেত্ৰত মোৰ অলপ কবলগীয়া আছে চাৰ। 2003 ৰ BTC accord, মতে আৰকাৰী বিভাগটোৱে BTC ক সংৰক্ষণ কৰিছে সেই সংৰক্ষণ কৰাৰ পিছত Concurrent list ত যি Central Act আছে, সেই Act খিনি BTCক hand over কৰা হৈছে, বাকী State list ত যিখিনি Tax Collection কৰা ক্ষমতা আছে সেইখিনি এতিয়ালৈকে বি টি চিক হস্তান্তৰ কৰা হোৱা নাই। আজি যিহেতু আমাৰ বিভাগৰ মন্ত্ৰী আছে, গতিকে এইটো সংশোধন কৰি বিল খন দাখিল কৰিলে ভাল হয়। এই ক্ষেত্ৰত মোৰ এটা অনুৰোধ থাকিল।

**শ্ৰী পৰিমল শুক্লবৈদ্য (আবকাৰী বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে আজি যিখন বিল আমি আনিছো এইখন সংশোধনীৰ ওপৰত অনা বিল। আপুনি যি আমাৰ Excise duty বা ৰাজহৰ কথাটো কৈছে, ৰাজহৰ কথাটো যেতিয়া আহিব তেতিয়া বেলেগকৈ আমাৰ Amendment কৰিব লাগিব। আৰু আপোনাৰ লগতে বি টি চি ৰ যি সকল শিক্ষাবিদ আছে তেওঁলোকৰ লগতো বহি ভৱিষ্যতে যাতে এই কামখিনি কৰিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া মই এটা পৰীক্ষা প্ৰকৃততে কৰা নাই যে Amendment Bill বিলাকত আমি কি ধৰণৰ কথা আলোচনা কৰিব পাৰো। সেইখিনি মই চোৱা নাই জেনেৰেল কথাখিনি পাৰোনে নোৱাৰো। মই বিল খন চালে পিছত কম বাৰু, কিন্তু এতিয়া মই ৰাজ্যপাল মহোদয়ে এই বিলখনৰ সম্পৰ্কত পঠোৱা বাণীটো পঢ়ি দিছো। "Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of The Assam Excise (Amendment) Bill, 2019 in the Assam Legislative Assembly. মই এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (আবকাৰী বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2019". বিধেয়কখন সদনত মই উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা) ঃ** বিধেয়ক খনৰ শিৰোনামা "The Assam Excise

(Amendment) Bill, 2019".

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মই জানিব বিচাৰিছো, বিত্তৰ বিল খন বিত্ত মন্ত্ৰীৰ অনুপস্থিতিত কেবিনেটৰ অন্য মন্ত্ৰীয়ে সদনত উত্থাপন কৰিব পাৰে নে নোৱাৰে?

**মাননীয় অধ্যক্ষ ঃ** আচলতে এইটো আজি Supplementary Demand ৰ বাকী যিখিনি আছে সেই Supplementary Demand ৰ তেখেতে মোৰ পৰা অনুমতি লৈছিল। কিন্তু আলোচনাত তেখেত নিজেই থাকিব। আমি Amendment দিয়াৰ পিছত। আমি এদিন পাম। মোৰ description থাকে যদি কোনোবা এজন মন্ত্ৰীৰ কিবা অসুবিধা হয়, মই কেতিয়াবা allow কৰো। কিন্তু কথাটো হৈছে মূল যিদিনা আলোচনা হ'ব তেখেত সেইদিনা থকাটো বাঞ্ছনীয়। তেওঁ মোক কৈছে। এতিয়া মৃত্যু প্ৰসঙ্গ। আমাৰ চতুৰ্দ্দশ অসম বিধান সভাৰ নৱম অধিৱেশনৰ সমাপ্তিৰ পৰা আজি ২৮-১১-২০১৯ তাৰিখে দশম তথা শীতকালীন অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে আৰু তেখেত সকলৰ বিষয়ে চমুকৈ অলপ পঢ়ি দিব বিচাৰিছো।

**১) ৰূপনছিং ৰংহাং**

প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী ৰূপনছিং ৰংহাঙ ডাঙৰীয়াই ২০০১ চনত বৈঠালাংছু বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলক প্ৰতিনিধিত্ব কৰি অসম বিধানসভালৈ নিৰ্বাচিত হৈ উক্ত কাৰ্যকালতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী সভাত স্বাস্থ্য আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ পদত অধিষ্ঠিত হৈ ৰাজ্যখনলৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে জীৱনকালত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত থাকি বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে।

**২) লিয়াকৎ আলী খান**

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী লিয়াকৎ আলী খান ডাঙৰীয়াই ১৯৯১ চনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে আৰু ২০০৬ চনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে চেঙা বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনলৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে।

**৩) কুতুব আহমেদ মজুমদাৰ**

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী কুতুব আহমেদ মজুমদাৰ ডাঙৰীয়াই ২০০৬ চনত সোণাই বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ দক্ষতাৰে ৰাজ্যলৈ সেৱা আগবঢ়াইছে। তদুপৰি তেখেত এগৰাকী শিক্ষক হিচাপেও ৰাজ্যখনৰ বিদ্যায়তনিত দিশতো বিশেষ বৰঙণি আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

**৪) ৰাম জেঠমালানি**

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰখ্যাত আইনজ্ঞ ৰাম জেঠমালানি ডাঙৰীয়াই ১৯৯৮ চনত আইন আৰু ন্যায় দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী ৰূপে সেৱা আগবঢ়োৱাৰ লগতে একাধিকবাৰ কেন্দ্ৰীয় মন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে ন্যায় ব্যৱস্থাৰ লগতে সংসদীয় গণতন্ত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে।

**৫) সুষমা স্বৰাজ**

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুষমা স্বৰাজ ডাঙৰীয়ানীয়ে এগৰাকী নিষ্ঠাবান ৰাজনীতিক ৰূপে দেশৰ সংসদীয় গনতন্ত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ২০১৪ চনৰ ২৬ মে' ৰ পৰা ২০১৯ চনৰ ৩০ মে' লৈকে কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰাৰ উপৰি একাধিকবাৰ কেন্দ্ৰীয় মন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৮ চনত তেখেতে তিনি মাহৰ বাবে দিল্লীৰ মুখ্যমন্ত্ৰী পদতো অধিষ্ঠিত হৈছিল। তদুপৰি ২০০৯ চনৰ পৰা ২০১৪ চনলৈ স্বৰাজ ডাঙৰীয়ানী আছিল লোকসভাৰ বিৰোধী দলৰ নেতা।

**৬) অৰুণ জেটলি**

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰখ্যাত আইনজ্ঞ অৰুণ জেটলি ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই সমাজ সেৱাত জড়িত হৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহন কৰাৰ লগতে ১৯৮০ চনত ৰাজনৈতিক জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত ১৯৯৯ চনত দেশৰ ৰাজ্যিক তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীৰ স্বতন্ত্ৰ দায়িত্ব আৰু পাচলৈ আইন, বিত্ত আদি বিভাগৰ কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে ২০০৯ চনত ৰাজ্যসভাৰ বিৰোধী দলৰ দলপতি হিচাপেও দায়িত্ব পালন কৰিছিল।

**৭) অম্বু বৰা**

বিশিষ্ট ৰাজনীতিক তথা মুক্তিযোদ্ধা অম্বু বৰা ডাঙৰীয়াই ছাত্ৰাৱস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশলৈ যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেত এগৰাকী অগ্ৰণী কৃষক নেতা আৰু স্বাধীনতা সংগ্ৰামী হিচাপেও উল্লেখনীয় সেৱা আগবঢ়াইছিল।

**৮) দেৱেন্দ্ৰ নাথ মহন্ত**

বিশিষ্ট মুক্তিযোদ্ধা ও সত্ৰাধিকাৰ দেৱেন্দ্ৰ নাথ মহন্ত ডাঙৰীয়াই একাধাৰে স্বাধীনতা সংগ্ৰামী, দ্বিতীয় বিশ্বযুদ্ধৰ সৈনিক, কৃতি শিক্ষক তথা সত্ৰাধিকাৰ হোৱাৰ উপৰি এগৰাকী সমাজকৰ্মী হিচাপেও ৰাজ্যখনৰ সমাজ জীৱনলৈ যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতে ভাৰতৰ জাতীয় সংগ্ৰামত গ্ৰহণ কৰা অগ্ৰণী ভূমিকাৰ বাবে ভাৰত চৰকাৰ তথা অসম চৰকাৰৰ দ্বাৰা মুক্তিযুঁজাৰু হিচাপে সন্মানিত হৈছিল।

**৯) মতৰাম হাতীমূৰীয়া**

বিশিষ্ট মুক্তিযোদ্ধা তথা নিষ্ঠাবান সমাজকৰ্মী মতৰাম হাতীমূৰীয়া ডাঙৰীয়াই ১৯৪২ চনৰ দেশৰ গণ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি এগৰাকী মুক্তিযোদ্ধাৰূপে দেশ মাতৃলৈ উল্লেখনীয় সেৱা আগবঢ়াইছিল। তেখেতক ১৯৮০ চনত ভাৰত চৰকাৰে আৰু ১৯৮৯ চনত অসম চৰকাৰে মুক্তিযুঁজাৰু হিচাপে স্বীকৃতি প্ৰদান কৰি সন্মানিত কৰিছিল।

**১০) খগেন শৰ্মা**

অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান খগেন শৰ্মা ডাঙৰীয়াই ১৯৮২ চনত অসম মেঘালয় কেডাৰৰ আই পি এছ বিষয়া হিচাপে যোগদান কৰি অসম আৰক্ষীৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদৰীত কাৰ্যনিৰ্বাহ কৰাৰ লগতে অসম আৰক্ষীৰ আৰক্ষী সঞ্চালক প্ৰধানৰূপে অসমত শান্তি শৃংখলা স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেখেতে ২০১৫ বৰ্ষৰ নৱেম্বৰ মাহত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

**১১) ড° ভূমিধৰ চৌধুৰী**

বিশিষ্ট শিক্ষাবিদ ড০ ভূমিধৰ চৌধুৰী ডাঙৰীয়াই ৰাজ্যখনৰ বিদ্যায়তনিক দিশলৈ যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক হিচাপেও শৈক্ষিক দিশলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**১২) সৌজন্যময়ী ভট্টাচাৰ্য**

বৰ্ষীয়ান সাহিত্যিক তথা বিশিষ্ট সমাজকৰ্মী সৌজন্যময়ী ভট্টাচাৰ্য ডাঙৰীয়ানীয়ে ১৯৪৫ চনত 'মৌজোল' নামৰ শিশু গ্ৰন্থখনেৰে লেখিকা হিচাপে আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'চাৰিসুতি, মনৰ ঢৌ'কে ধৰি ত্ৰিশখনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তদুপৰি তেখেতে এগৰাকী নিষ্ঠাবান সমাজকৰ্মীৰূপেও নগাঁৱত সেৱাশ্ৰম নামৰ এক সামাজিক অনুষ্ঠান প্ৰতিষ্ঠা কৰি সামাজিক কাম-কাজত জড়িত থকাৰ লগতে নাৰীৰ সুৰক্ষা স্বাধীনতাৰ হকে উল্লেখনীয় অৱদান আগবঢ়াইছিল।

**১৩) আচাৰ্য ভৃগুগিৰি মহাৰাজ**

আধ্যাত্মিক জ্যোতিসম্পন্ন ভৃগুগিৰি মহাৰাজে জনসাধাৰণৰ মাজত সদ্ভাৱ সম্প্ৰীতিৰ বাণী প্ৰচাৰৰ লগতে তেখেতে অসমত কেইবাখনো বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ উপৰিও নগাঁৱত 'বৈদিক ৰিছাৰ্চ এণ্ড গ্ল'বেল ষ্টাডি চেন্টাৰ' স্থাপন কৰি বেদৰ অসমীয়া অনুবাদ প্ৰকাশ কৰিছিল। তেখেতৰ নেতৃত্বতে অসমত প্ৰথম মৌ-পালন, গো-পালনৰ উন্নত প্ৰযুক্তি আৰম্ভ হয়।

(১৪) **দিলীপ কুমাৰ দত্ত ঃ** বিশিষ্ট গণিতজ্ঞ তথা প্ৰতিথযশা সাহিত্যিক। দিলীপ কুমাৰ দত্ত ডাঙৰীয়াই আমেৰিকাৰ কিংষ্টনৰ ৰোড আইলেণ্ড বিশ্ববিদ্যালয়ৰ অংক শাস্ত্ৰৰ অধ্যাপক হিচাপে সেৱা আগবঢ়োৱাৰ ওপৰিও গণিত শাস্ত্ৰৰ গ্ৰন্থৰ লগতে অসমৰ কৃষ্টি সংস্কৃতি সম্পৰ্কীয় বিভিন্ন মূল্যবান গ্ৰন্থ প্ৰনয়নৰে ৰাজ্যখনৰ বৌদ্ধিক আৰু সাংস্কৃতিক দিশত উল্লেখনীয় বৰঙনি আগবঢ়াই গৈছে।

**(১৫) গুৰুকৃষ্ণ গোস্বামীঃ** পাট বাউসী শ্ৰী শ্ৰী দামোদৰ দেৱ সত্ৰৰ সত্ৰাধিকাৰ তথা বিশিষ্ট সমাজ কৰ্মী তথা বিশিষ্ট সাহিত্যিক গুৰু কৃষ্ণ গোস্বামী ডাঙৰীয়াই ১৯৭১ চনত সত্ৰাধিকাৰ হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰ পৰাই ধৰ্ম প্ৰচাৰ , সত্ৰ উদ্ধাৰ আৰু সংৰক্ষণৰ লগতে পুঁথি পাজি প্ৰকাশত আত্মনিয়োগ কৰাৰ লগতে বহু মূল্যবান গ্ৰন্থৰ ৰচনা কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত বিশেষ অবদান আগবঢ়াই গৈছে।

**(১৬) ডঃ পৰিক্ষিত হাজৰিকাঃ** বিশিষ্ট শিক্ষাবিদ সাহিত্যিক তথা ভাষা বিশেষজ্ঞ ডঃ পৰিক্ষিত হাজৰিকা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে সেৱা আগবঢ়াই ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰিছিল । তেখেতে শিক্ষাদানৰ সমান্তৰালকৈ গ্ৰন্থ প্ৰনয়ণ, ভাষা সাহিত্যৰ গবেষণাৰ লগত ওতঃপ্ৰতভাবে জড়িত থাকি অসমীয়াৰ ভাষাৰ উৎস তথা ক্ৰমবিকাশ বিষয়ত বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়াই অসমীয়া সাহিত্য ক্ষেত্ৰখনত অনবদ্য আগবঢ়াই থৈ গৈছে।

**(১৭) অন্নদাচৰণ ভাগৱতীঃ** বিশিষ্ট নৃতত্ববিদ তথা শিক্ষাবিদ অন্নদাচৰন ভাগৱতী ডাঙৰীয়াই অৰুনাচল প্ৰদেশৰ বিশ্ববিদ্যালয়ৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপক তথা বিভাগীয় মুৰব্বী হিচাপে সেৱা আগবঢ়োৱাৰ সমান্তৰালকৈ নৃতত্ব বিষয়ক অধ্যয়ন, গবেষণাই অসমৰ সমাজ জীৱনলৈ প্ৰভূত অৱদান আগবঢ়াইছে।

**(১৮) টাবুৰাম টাইডঃ** বিশিষ্ট শিক্ষাবিদ তথা ভাষাতত্ববিদ টাবুৰাম টাইড, ডাঙৰীয়াই ৰাজ্যখনৰ শৈক্ষিক তথা ভাষা সাহিত্যৰ ক্ষেত্ৰখনলৈ উল্লেখনীয় বৰঙনি আগবঢ়োৱাৰ লগতে মিচিং

ভাষা সাহিত্যৰ প্ৰণালীবদ্ধ অধ্যয়ন, গৱেষণা, প্ৰচাৰ আৰু প্ৰসাৰৰ দিশতো অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তদুপৰি টাইড ডাঙৰীয়াই ছেৱাৰ অধ্যক্ষ হিচাপে ৰাজ্যখনৰ বিদ্যায়তনিক দিশত উল্লেখনীয় সেৱা আৰু বৰঙনি আগবঢ়াই থৈ গৈছে।

**(১৯) পূণ্যব্ৰত দেৱ গোস্বামীঃ** শ্ৰী শ্ৰীনিকামূল সত্ৰৰ সত্ৰাধিকাৰ তথা বিশিষ্ট সমাজ সেৱক পূণ্যব্ৰত দেৱগোস্বামী ডাঙৰীয়াই এগৰাকী সত্ৰাধিকাৰ হিচাপে সত্ৰ সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জনসাধাৰণৰ মাজত আধ্যাত্মিক বোধ জাগ্ৰত কৰাৰ বাবে অগ্ৰণী ভূমিকা পালন কৰিছিল। তেখেত এগৰাকী বিশিষ্ট শাস্ত্ৰীয় সংগীতজ্ঞ হিচাপেও ৰাজ্যখনলৈ যথেষ্ট অৱিহনা আগবঢ়াই থৈ গৈছে।

**(২০) প্ৰদীপ ৰাজা ব্ৰহ্মঃ** বিশিষ্ট বড়ো সাহিত্যিক তথা প্ৰসিদ্ধ লেখক প্ৰদীপ ৰাজা ব্ৰহ্ম ডাঙৰীয়াই জীৱন কালত নিজৰ সৃষ্টি ৰাজীৰে বড়ো ভাষা, সাহিত্য তথা অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতৰ অনুবাদ গ্ৰন্থ 'স্নি- বিফান ৰামায়ণ' বড়ো সাহিত্য জগতলৈ এক অনবদ্য অৱদান। ব্ৰহ্ম ডাঙৰীয়াই ২০০৮ চনত সাহিত্য একাডেমী বঁটাৰেও বিভূষিত হৈছিল।

**(২১) অৰুন সেনাপতি ঃ** বিশিষ্ট সমাজকৰ্মী অৰুন সেনাপতি ডাঙৰীয়াই ছাত্ৰ অৱস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সমাজৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে সক্ৰিয়ভাবে জড়িত থাকি ৰাজ্যখনৰ আৰ্থসামাজিক উত্তৰণৰ দিশত অনবদ্য অবদান আগবঢ়াই থৈছে।

**(২২) দিলীপ ৰঞ্জন দত্ত ঃ** বিশিষ্ট অভিনেতা দিলীপ ৰঞ্জন দত্ত ডাঙৰীয়াই একান্ত নিষ্ঠা আৰু ঐকান্তিক ভাবে ৰাজ্যখনৰ কেইবাখনো আগশাৰীৰ ভ্ৰাম্যমান নাট্যদলত সক্ৰিয়ভাবে জড়িত থাকি সাৱলীল অভিনয়েৰে দৰ্শকৰ অন্তৰ জয় কৰিবলৈ সক্ষম হোৱাৰ লগতে অভিনয় জগতলৈ আগবঢ়োৱা বিশিষ্ট অবদানৰ বাবে 'এনাজৰী বঁটা', 'ডাঃ উপেন কাকতি শিল্পী বঁটা' ,ৰতন লহকৰ বটাকে ধৰি বহু উচ্চস্তৰীয় বটা আৰু সন্মানেৰে বিভূষিত হৈছিল।

**(২৩) দিলীপ ভূৱন শৰ্মাঃ** বিশিষ্ট ভাস্কৰ্য্য আৰু চিত্ৰ শিল্পী, দিলীপ ভূষণ ডাঙৰীয়াই নিজৰ জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকভাবে ৰাজ্যখনৰ শিল্প তথা ভাস্কৰ্য্য জগতলৈ যথেষ্ঠ অবদান আগবঢ়াই থৈ গৈছে। তেখেতে অসমকে ধৰি উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন ঠাইত ভাস্কৰ্য্য নিৰ্মান কৰাৰ লগতে অসমৰ ৰাজভৱনৰ সৌন্দৰ্য্য জীপাল কৰাৰ উপৰিও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গেট নিৰ্মাণ কৰাৰ লগতে অসমৰ ভিন্ন ঠাইৰ পৰ্য্যটনস্থলীত নিজৰ শিল্প কৰ্মৰ চাপ এৰি থৈ গৈছে।

**(২৪) পদম বাহাদুৰ শ্ৰেষ্ঠ ঃ** যোৱা ইংৰাজী ১৯ অক্টোবৰ ২০১৯ তাৰিখে কাশ্মীৰ সীমান্তত হোৱা সংঘৰ্ষত সাহসেৰে যুঁজ দি প্ৰাণ আহুতি দি বীৰগতি লাভ কৰা অসম সন্তান তথা ভাৰতীয় সেনা বাহিনীৰ জোৱান পদম বাহাদুৰ শ্ৰেষ্ঠৰ মৃত্যুত সদনে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলী জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

উল্লেখিত বৰণ্যে ব্যক্তিসকলৰ বিয়োগত দেশ তথা ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল। এতিয়া উল্লেখিত প্ৰয়াত ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি ১ মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

**শ্ৰীথানেশ্বৰ বসুমতাৰী (চাপাগুৰি) ঃ** অধ্যক্ষ মহোদয়, প্ৰয়াত ওদাবালা দৈমাৰী, বাথৌ মহাসভাৰ সাধাৰণ সম্পাদক আছিলে। তেখেতৰ নামটো ৰৈ গ'ল ।

**মাননীয় অধ্যক্ষ ঃ** কথাখিনি লিখি মোলৈ পঠিয়াই দিব ইনক্লুড কৰিম । এতিয়া সকলোকে ১ মিনিট থিয় হৈ প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ জনালো।

( সকলোৱে থিয় হৈ ১ মিনিট সময় মৃতকসকলৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনায়)

**ওঁম শান্তি ঃ হৈছে ।**

**সদন কাইলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।**

**(সদন দিনৰ ১২.২৭ বজাত অন্ত হয়।)**